DailyAssam.Com

পঞ্চম অধ্যায়

# পৰ্যটকৰ দৃষ্টিত ভাৰতীয় সমাজ

পুৰুষ মহিলা সকলোৱেই নিজ দেশৰ বাহিৰেও অন্য দেশ বা ঠাই ভ্ৰমণ কৰে, কেতিয়াবা জীৱিকাৰ তাৰণাত কৰ্মসংস্থানৰ বাবে, কেতিয়াবা প্ৰাকৃতিক বিপৰ্যয়ৰ বাবে, আৰু নতুবা কেতিয়াবা বণিক-বেপাৰী-সদাগৰৰূপে, কেতিয়াবা সৈনিক হিচাপে, আৰু কেতিয়াবা পুৰোহিত হিচাপে আৰু তীৰ্থ ভ্ৰমণ উপলক্ষে। মানুহে কেতিয়াবা দুসাহসিক কাৰ্য সম্পাদন কৰাৰ অজুহাততো দেশ ভ্ৰমণ কৰে। যিবিলাকে নতুন দেশ ভ্ৰমণ কৰে বা তেনে দেশত থাকিবলৈ লয় তেওঁলোকে সততে এখন নতুন অথচ পৃথক জগতৰ সৈতে মুখামুখি হৈ পৰে, যাৰ প্ৰাকৃতিক বাতাৱৰণ তথা ভৌগোলিক অৱস্থান সম্পূৰ্ণ পৃথক, লগতে মানুহৰ আচাৰ-ব্যৱহাৰ, ঐতিহ্য-পৰম্পৰা, ভাষা, প্ৰচলিত লোক বিশ্বাস আৰু ধৰ্মীয় ধ্যান-ধাৰণা সকলো। বহুতো ভ্ৰমণকাৰীয়ে সেই অৱস্থাৰ সৈতে নিজকে খাপ খুৱাই লয়, তাৰ ভিতৰত আকৌ ব্যতিক্ৰমীসকলে প্ৰত্যক্ষ কৰা নতুন দেশখনৰ বিভিন্নতাসমূহ নিজস্ব টোকাত সতৰ্কতাৰে সৈতে লিপিবদ্ধ কৰি থয়, বিশেষকৈ যিবিলাক তেওঁলোকে অসাধাৰণ অথবা উল্লেখযোগ্য বুলি বিবেচনা কৰে সেইবিলাক। দুৰ্ভাগ্যবশতঃ আমি মহিলা ভ্ৰমণকাৰীসকলে লিখি থৈ যোৱা কোনো টোকা বা বিৱৰণ পোৱা নাই যদিও আমি জানো যে তেওঁলোকেও দেশ ভ্ৰমণ কৰিছিল।



নক্সা ৫.১ (ক)
দুখিলা পাণ

যিবিলাক ভ্ৰমণ কাহিনী বা ভ্ৰমণ বৃতান্ত বৰ্তি আছে বিষয়বস্তুৰ ক্ষেত্ৰত সেইবিলাক সততে পৃথক পৃথক। কিছুমানে ৰাজসভাৰ বিৱৰণ দাঙি ধৰিছে, কিছুমানে আকৌ প্ৰধানতঃ ধৰ্মীয় বিষয় নতুবা অতীতৰ কীৰ্তি চিহ্নৰ নিৰ্মাণ শৈলীৰ ওপৰত প্ৰাধান্য দিছে। উদাহৰণ হিচাপে পঞ্চদশ শতিকাৰ বিজয়নগৰ চহৰখন (সপ্তম অধ্যায়টো দ্ৰষ্টব্য) সম্পৰ্কে থকা আটাইতকৈ গুৰুত্বপূৰ্ণ বিৱৰণটোৰ প্ৰস্তুতকাৰক আছিল আব্দুৰ ৰাজ্জাক সমৰখন্দী। তেওঁ হিৰাটৰপৰা অহা এজন কূটনৈতিক বিষয়া আছিল।

যিহেতু উক্ত প্ৰতিজন লিখক-ভ্ৰমণকাৰীয়েই পৃথক পৃথক সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ পৰিস্থিতিৰপৰা আহিছিল, সেয়ে তেওঁলোকে ইয়াৰ মানুহৰ দৈনন্দিন কাম-কাজ আৰু প্ৰচলিত আচাৰ-অনুষ্ঠান সম্পৰ্কে সততে অধিক ঔৎসুক আছিল, আনহাতে দেশীয় তথা থলুৱা লিখকসকলৰ বাবে লিপিবদ্ধ কৰিবলৈ সেইবিলাকৰ বিশেষ কোনো গুৰুত্ব নাছিল, দৈনন্দিন কৰণীয় কাম হিচাপেই চলি গৈছিল। সেই ধৰণৰ দৃষ্টিভংগীৰ পৃথকত্বৰ পৰিপ্ৰেক্ষিততেই তেওলোকে লিপিবদ্ধ কৰি থৈ যোৱা টোকাবিলাকক আকৰ্ষণীয় হৈ উঠিছে। এই ভ্ৰমণকাৰীসকলে বাৰু কাৰ বাবে লিখিছিল? আলোচনা আগবঢ়াই নিওতে আমি দেখা পাম যে প্ৰতিটো প্ৰশ্নৰ উত্তৰেই ভিন্ন ধৰণৰ আৰু এটা আনটোৰপৰা সম্পূৰ্ণ পৃথক।



নক্সা ৫.১ (খ)
নাৰিকল
বিদেশী পৰ্যটকসকলৰ বাবে পাণ আৰু নাৰিকল আছিল দুটা আচহুৱা, মনত সাঁচ বহুওৱা বস্তু।

কোনো কোনো ক্ষেত্ৰত দেখা গৈছে যে ভ্ৰমণকাৰীসকলে দূৰ দেশলৈ নোযোৱাকৈ আছিল। তেনে ভ্ৰমণকাৰীৰ ভিতৰত মোগল সাম্ৰাজ্যৰ প্ৰশাসনিক বিষয়াসকলৰ কথাকে ধৰিব পাৰি, তেওঁলোকে দেশৰ বাহিৰলৈ নগৈ সাম্ৰাজ্যখনৰ ভিতৰতে ভ্ৰমণ কৰি মনে চুই যোৱা বিষয়সমূহ লিপিবদ্ধ কৰিছিল। তেনে ভ্ৰমণকাৰীৰ কিছুমান

DailyAssam.Com



উৎস ১

**আল্ বেৰুণীৰ উদ্দেশ্য**

আল্ বেৰুণীয়ে তেওঁৰ লিখনী সম্পৰ্কে এইদৰে বৰ্ণনা কৰিছিল যে যিসকলে হিন্দুসকলৰ ধৰ্মীয় ধ্যান-ধাৰণা সম্পৰ্কে জানিব বিচাৰে তেওঁলোকৰ বাবে সেইবোৰ সহায়ক হ'ব আৰু যিসকলে তেওঁলোকৰ সৈতে সম্পৰ্ক স্থাপন কৰিব বিচাৰে তেওঁলোকৰ বাবে সেইবিলাক তথ্য জনাৰ উৎস হ'ব।

➲ উৎস ৫ত থকা আল্ বেৰুণীৰ উদ্ধৃতিটো পঢ়ি তেওঁৰ লেখনিয়ে উক্ত উদ্দেশ্যসমূহ পূৰণ কৰিছিল নে নাই, আলোচনা কৰা।

জনসাধাৰণৰ মাজত প্ৰচলিত দেশাচাৰ-ৰীতি-নীতি, লোকগীত আৰু নিজ দেশৰ ঐতিহ্য-পৰম্পৰাৰ প্ৰতি আসক্ত আছিল।

এই অধ্যায়ত আমি বিচাৰ কৰিম কেনেকৈ সেই ভ্ৰমণকাৰীসকলে উপমহাদেশখন ভ্ৰমণ কৰি থৈ যোৱা বিৱৰণৰ ওপৰত নিৰ্ভৰ কৰি আমি অতীতৰ সমাজখন সম্পৰ্কে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰো। আমি তেনে ভ্ৰমণকাৰীসকলৰ মাত্ৰ তিনিজন—আল্ বেৰুণী, ইবন বটুটা আৰু ফ্ৰাছোৱা বাৰ্ণিয়াৰ—এৰি থৈ যোৱা বিৱৰণৰ ওপৰত আমাৰ আলোচনা সীমিত ৰাখিম। আল্ বেৰুণীয়ে একাদশ শতিকাত উজবেকিস্তানৰপৰা, ইবন বটুটাই চতুৰ্দশ শতিকাত উত্তৰ-পশ্চিম আফ্ৰিকাৰ মৰক্কোৰপৰা আৰু ফ্ৰাঁছোৱা বাৰ্ণিয়াৰে সপ্তদশ শতিকাত ফ্ৰান্সৰপৰা আহি ভাৰতীয় উপমহাদেশখন ভ্ৰমণ কৰিছিল।

## ১. আল্ বেৰুণী আৰু কিতাব-উল-হিন্দ

### ১.১ খাৰিজমৰপৰা পাঞ্জাৱলৈ

বৰ্তমানৰ উজবেকিস্তানৰ খাৰিজমত ৯৭৩ চনত আল্ বেৰুণীৰ জন্ম হৈছিল। খাৰিজম তেতিয়া এখন গুৰুত্বপূৰ্ণ শিক্ষা কেন্দ্ৰ আছিল। আল্ বেৰুণীয়ে তাতেই তেতিয়া পাব পৰা আটাইতকৈ উচ্চ পৰ্যায়ৰ শিক্ষা আহৰণ কৰিছিল। তেওঁ কেবাটাও ভাষাত ব্যুৎপত্তি থকা লোক আছিল, সেইবিলাক আছিল—ছিৰাইক, আৰবী, পাৰ্চী, হিব্ৰু আৰু সংস্কৃত। গ্ৰীক ভাষা নাজানিছিল যদিও তেওঁ আৰবী অনুবাদত প্লেটো আৰু অন্যান্য গ্ৰীক দাৰ্শনিকসকলৰ লিখনীসমূহ অধ্যয়ন কৰি গ্ৰীক দৰ্শনৰ সৈতে পৰিচিত হৈছিল। ১০১৭ চনত চুলতান মাহমুদে খাৰিজম আক্ৰমণ কৰি ভালেমান পণ্ডিত আৰু কবি সাহিত্যিকক তেওঁৰ ৰাজধানী গজনীলৈ লৈ গৈছিল আৰু সেইসকলৰ ভিতৰত আল্ বেৰুণীও আছিল। তেওঁ গজনীত উপস্থিত হৈছিল এজন পণবন্দীৰূপে, কিন্তু লাহে লাহে তেওঁ চহৰখনৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল আৰু ৭০ বছৰ বয়সত মৃত্যু বৰণ নকৰালৈ তাতেই তেওঁ জীৱনৰ বাকীছোৱা কাল অতিবাহিত কৰিছিল।

গজনীত থাকোঁতেই তেওঁ ভাৰতবৰ্ষৰ প্ৰতি এক আকৰ্ষণ অনুভৱ কৰিছিল। আৰু তেওঁৰ বাবে সেইটো কোনো অস্বাভাৱিক কথাও নাছিল। সংস্কৃত ভাষাত ৰচিত জ্যোৰ্তিবিজ্ঞান, অংক শাস্ত্ৰ, চিকিৎসা বিজ্ঞান সম্পৰ্কীয় ভাৰতীয় গ্ৰন্থাদি ইতিমধ্যে অষ্টম শতাব্দীৰ পৰাই আৰবী ভাষালৈ অনুদিত কৰা হৈ আহিছিল। ইফালে পাঞ্জৱখন গজনী সাম্ৰাজ্যৰ অৰ্ন্তভুক্ত হোৱা কাৰ্যই স্থানীয় লোকৰ সৈতে পাৰস্পৰিক বিশ্বাস আৰু বুজাপৰা গঢ়ি উঠাত ইন্ধন যোগাইছিল। আল্ বেৰুণীয়ে ব্ৰাহ্মণ পুৰোহিত আৰু পণ্ডিতসকলৰ সান্নিধ্যত সংস্কৃত ভাষা শিক্ষা কৰাৰ লগতে ধৰ্মীয় আৰু দাৰ্শনিক তত্বসমূহ অধ্যয়ন কৰি ভালেমান বছৰ কটাইছিল। তেওঁৰ কামৰ সঠিক খতিয়ান পোৱা নাযায় যদিও এইটো নিশ্চিত যে তেওঁ পাঞ্জাৱ আৰু উত্তৰ ভাৰতৰ ভালেমান অঞ্চল বিস্তাৰিতভাৱে ভ্ৰমণ কৰিছিল।

আল্ বেৰুণীয়ে ভ্ৰমণ কাহিনী লিখিবলৈ লোৱাৰ পূৰ্বৰেপৰা ভ্ৰমণ কাহিনী আৰবী সাহিত্যৰ এক পৰিচিত ধাৰাত পৰিণত হৈ পৰিছিল। এই ধাৰাটোৰ সাহিত্যই পশ্চিমে চাহাৰা মৰুভূমিকে ধৰি উত্তৰে ভল্গা নদীৰ সমীপলৈ সামৰি লোৱা ভূখণ্ড সামৰি লৈছিল। সেয়ে ১৫০০ চনৰ পূৰ্বে অতি কম ভাৰতীয়

**অনুবাদ কাৰ্য ভাৱৰ বিনিময়ৰ বাবে**

ভালেমান ভাষত ব্যুৎপত্তি থকা গুণে আল্ বেৰুণীক বিভিন্ন ভাষাৰ তুলনাৰ লগতে তৰ্জমা কাৰ্যৰ প্ৰতি উদগনি দিছিল। তেওঁ ভালেমান সংস্কৃত গ্ৰন্থ আৰবী ভাষালৈ অনুবাদ কৰিছিল আৰু তাৰ ভিতৰত পতঞ্জলীৰ ব্যাকৰণো আছিল। তেঁওৰ ব্ৰাহ্মণ পণ্ডিত বন্ধুসকলৰ সহায়ৰ বাবে ইউক্লিডৰ লিখনীসমূহ (তেওঁ গ্ৰীক গণিতজ্ঞ আছিল) সংস্কৃতলৈ অনুবাদ কৰিছিল।

লোকে আল্ বেৰুণীৰ লিখনী অধ্যয়ন কৰাৰ বিপৰীতে ভাৰতৰ বাহিৰৰ বহু লোকে ইতিমধ্যে তেওঁৰ ভ্ৰমণ কাহিনী খৰছি মাৰি অধ্যয়ন কৰিছিল।

মেট্ৰ'লজী (*Metrology*) হ'ল পৰিমাপন বিদ্যা তথা জোখ বিজ্ঞান বা পদ্ধতি

## ১.২ কিতাব-উল-হিন্দ

আৰবী ভাষাত ৰচিত আল্ বেৰুণীৰ কিতাব-উল-হিন্দ এখন সৰল আৰু সহজবোধ্য গ্ৰন্থ। এইখন বৃহৎ আকাৰৰ গ্ৰন্থ, ইয়াত ধৰ্ম আৰু দৰ্শন, উৎসৱ-পাৰ্বন, জ্যোৰ্তিবিজ্ঞান, ৰসায়ন শাস্ত্ৰ, মানুহৰ আচাৰ-ব্যৱহাৰ ৰীতি-নীতি, সামাজিক জীৱন, জোখ-মাপ, চিত্ৰকলা, আইন-কানুন আৰু পৰিমাণ বিজ্ঞান আদি বিষয়মূহকে লৈ মুঠতে ৮০ টা অধ্যায় আছে।

সদায় নহ'লেও সাধাৰণতে আল্ বেৰুণীয়ে প্ৰতিটো অধ্যায়ৰ ক্ষেত্ৰতে বিশেষ গঠন প্ৰণালীৰ প্ৰয়োগ কৰিছিল, যেনে অধ্যায়টোৰ সূচনা কৰিছিল এটি প্ৰশ্নৰ মাধ্যমত আৰু তাৰ আলমত সংস্কৃত পৰম্পৰা অনুযায়ী বৰ্ণনা কাৰ্য আগবঢ়াই নি শেষত অন্য কৃষ্টি-সভ্যতাৰ সৈতে তাৰ তুলনা কৰি মোখনি মাৰিছিল। কিছুমান আধুনিক পণ্ডিতে যুক্তি দৰ্শাৱ খোজে যে শুদ্ধতা আৰু নিশ্চিতকৰণৰ বাবে উল্লেখনীয় এই ধৰণৰ জ্যামিতিক গঠন প্ৰণালীতেওঁ আয়ত্ব কৰিছিল তেওঁৰ হিচাপী মনোবৃত্তি তথা গুণৰ বাবে।

আল্ বেৰুণীয়ে তেওঁৰ ৰচনাসমূহ ভাৰতীয় উপমহাদেশখনৰ সীমান্তবৰ্তী অঞ্চলত বসবাস কৰা লোকসকলৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য কৰি আৰবী ভাষাত লিখি উলিয়াইছিল। তেওঁ সংস্কৃত, পালি আৰু প্ৰাকৃত ভাষাৰ ৰচনাৰাজি বিশেষকৈ ৰূপকথাৰ গ্ৰন্থৰপৰা জ্যোৰ্তিবিজ্ঞান আৰু চিকিৎসা শাস্ত্ৰৰ গ্ৰন্থলৈ সকলো আৰবী ভাষালৈ তৰ্জমা কৰা আৰু তাক সেই ভাষাত জীন নিওৱাত সিদ্ধহস্ত লোক আছিল। তদুপৰি সেই গ্ৰন্থসমূহৰ ৰচনা পদ্ধতিৰ দোষগুণ সম্পৰ্কেও তেওঁ অৱহিত আছিল, আৰু সেয়ে সেইবোৰ প্ৰয়োজন বোধে উন্নীত কৰিবলৈ বিচাৰিছিল।

### হিন্দু শব্দৰ উৎপত্তি

হিন্দু শব্দটো পুৰণি পাৰ্চী ভাষাৰপৰা ওলোৱা, এই শব্দটো ষষ্ঠ আৰু পঞ্চম খ্ৰীষ্টপূৰ্বৰ ভিতৰত সিন্ধু নদৰ পূৰ্বত অৱস্থিত ভূখণ্ডক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। আৰবসকলে পাৰ্চীসকলক অনুসৰণ কৰি সেই অঞ্চলটোক অল্-হিন্দ আৰু তাৰ বাসিন্দাসকলক হিন্দী বুলি ক'বলৈ লৈছিল। পিছত তুৰ্কীসকলে সিন্ধু নদৰ পূৰ্বাংশৰ লোকসকলক হিন্দু আৰু তেওঁলোকৰ বাসস্থানক হিন্দুস্থান আৰু তেওঁলোকে কোৱা ভাষাটোক হিন্দৱী বুলিছিল। এই অভিধাবিলাকৰ কোনো এটাই বাসিন্দাসকলৰ ধৰ্মৰ পৰিচয় দাঙি ধৰা নাছিল। বহু পলমলৈ এই শব্দটো ধৰ্মীয় গুণবিশিষ্ট হৈ পৰিছিল।

**আলোচনা কৰা**

আল্ বেৰুণী যদি একবিংশ শতিকাৰ লোক হ'লহেঁতেন আৰু যদি তেওঁ সেই একেকেইটা ভাষাই জানিলেহেঁতেন, তেনেহলে কোনবোৰ অঞ্চলত মানুহে তেওঁৰ ৰচনাৰাজি সহজে বুজি পালেহেঁতেন?



*নক্সা ৫.২*
*ত্ৰয়োদশ শতিকাত আৰবী ভাষাত লিখিত এখন পাণ্ডুলিপিৰ ব্যাখ্যামূলক চিত্ৰাঙ্কনত খ্ৰীষ্ট পূৰ্ব ষষ্ঠ শতিকাৰ এজন বিজ্ঞ পণ্ডিত তথা কবি চ'লনে তেওঁৰ শিষ্যসকলৰ উদ্দেশ্যে বক্তব্য আগবঢ়োৱা দেখা গৈছে।*

এওঁলোকে পিন্ধা পোছাকসমূহ গ্ৰীক নে আৰবীয়?

DailyAssam.Com



উৎস ২

**পক্ষীয়ে মোৰ বাহ এৰি উৰিলে**

এইখিনি ৰিহলাৰপৰা লোৱা হৈছে ঃ

মোৰ জন্মস্থান, টাঞ্জিয়াৰৰপৰা মোৰ যাত্ৰা আৰম্ভ হৈছিল বৃহস্পতি বাৰে... মই অকলে আহিছিলো, মোৰ লগত কোনো সংগী ভ্ৰমণকাৰীও নাছিল আৰু নাছিল মৰুভূমিৰ মাজেৰে যোৱা কোনো ভ্ৰমণকাৰীৰ দল যাৰ সৈতে মই যোগদান কৰিব পাৰিলোঁহেঁতেন। কিন্তু মোৰ মনত ভ্ৰমণৰ প্ৰতি থকা প্ৰচণ্ড তাগিদা আৰু মৰুভূমিৰ মাজত থকা বিখ্যাত আশ্ৰয়স্থল তথা মৰুদ্যানসমূহ চোৱাৰ বাবে বহুদিন ধৰি মনত পুহি ৰখা তীব্ৰ আকাংক্ষাৰ বাবেই মই ভ্ৰমণলৈ ওলাইছিলোঁ। সেই কাৰণেই মই মোৰ সিদ্ধান্ত সাৰোগত কৰি ঘৰৰ সকলো আত্মীয়-স্বজনক এৰি চৰাইয়ে নিজৰ বাহ ত্যাগ কৰাদি মোৰ গৃহ ত্যাগ কৰিছিলোঁ। তেতিয়া মোৰ বয়স আছিল ২২ বছৰ।

ইব্‌ন বটুটাই ভ্ৰমণকাৰীৰূপে ওলাই অহাৰ প্ৰায় ৩০ বছৰৰ পিছত ১৩৫৪ চনত নিজ গৃহলৈ ওভতি গৈছিল।

*নক্সা ৫.৩*

*ষষ্ঠ শতিকাৰ এখন ৰঙীন মোগল চিত্ৰাঙ্কনত এদল ডকাইতে ভ্ৰমণকাৰীক আক্ৰমণ কৰা দেখা গৈছে।*

➲ তুমি ভ্ৰমণকাৰীক ডকাইতৰপৰা কেনেকৈ পৃথক কৰিবা?



## ২. ইব্‌ন বটুটাৰ ৰিহ্‌লা

### ২.১ এক আদিম পৃথিৱী ভ্ৰমণকাৰী

আৰবী ভাষাত ৰচিত ইব্‌ন বটুটাৰ ভ্ৰমণ কাহিনীখনে, যাক ৰিহ্‌লা বোলা হয়, চতুৰ্দশ শতিকাৰ ভাৰতীয় উপমহাদেশখনৰ সামাজিক আৰু সাংস্কৃতিক দিশৰ বহুতো চমকপ্ৰদ আৰু চহকী সাক্ষী-প্ৰমাণৰ যোগান ধৰে। মৰক্কোৰ এই ভ্ৰমণকাৰীজনৰ জন্ম হৈছিল টাঞ্জিয়াৰৰ এটি অতি সম্ভ্ৰান্ত আৰু শিক্ষিত পৰিয়ালত। ঐশ্লামিক ধৰ্মীয় আইন-কানুন তথা শ্বেৰিয়তৰ ওপৰত এই পৰিয়ালটোৰ লোকসকলৰ বেছ ব্যুৎপত্তি আছিল বুলি যথেষ্ট খ্যাতি আছিল। পৰিয়ালৰ পৰম্পৰা অনুযায়ী ইব্‌ন বটুটাই ডেকা অৱস্থাতে পণ্ডিত সুলভ আৰু সাহিত্যিক কৰ্মৰ বাবে প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিছিল।

তেওঁৰ শ্ৰেণীৰ ভালেমান অন্যান্য লোকে বিশ্বাস কৰাৰ বিপৰীতে ইবন বটুটাই উপলব্ধি কৰিছিল যে ভ্ৰমণ কাৰ্যৰ জৰিয়তে আহৰণ কৰা জ্ঞান আৰু অভিজ্ঞতা পুথিগত বিদ্যাতকৈ গুৰুত্বপূৰ্ণ আছিল। তেওঁ কেৱল ভ্ৰমণৰ খাটিৰতেই দূৰ-দূৰণিৰ ঠাই ভ্ৰমণ কৰিছিল আৰু তেনে কাৰ্যৰ জৰিয়তে তেওঁ নিত্য নতুন ঠাই চোৱাৰ লগতে ভিন্ন ভিন্ন মানুহৰ সংস্পৰ্শলৈ আহিছিল। ১৩৩২-৩৩ চনত ভাৰতবৰ্ষলৈ যাত্ৰা কৰাৰ পূৰ্বে তেওঁ মক্কালৈ তীৰ্থ যাত্ৰা কৰিছিল আৰু ইতিপূৰ্বে ছিৰিয়া, ইৰাক, পাৰস্য, য়েমেন, ওমান আদি পূৰ্ব আফ্ৰিকাৰ ভালেমান উপকূলীয় বাণিজ্যিক বন্দৰ চহৰ খৰছি মাৰি ভ্ৰমণ কৰিছিল।

স্থলভাগেৰে মধ্য এছিয়াৰে আহি ১৩৩৩ চনত তেওঁ সিন্ধুত উপস্থিত হৈছিল। তেওঁ ইতিমধ্যে দিল্লীৰ চুলতান মহম্মদ বিন টোঘলকৰ নাম শুনিছিল আৰু তেওঁ যে কলা-সংস্কৃতিৰ উদাৰ পৃষ্ঠপোষক আছিল তাকো শুনিছিল আৰু সেইবিলাকৰ দ্বাৰা আকৰ্ষিত হৈ তেওঁ দিল্লীলৈ যাত্ৰা কৰিছিল। তেওঁ মূলতান আৰু উচ হৈ দিল্লীলৈ আহিছিল। তেওঁৰ পাণ্ডিত্যত মুগ্ধ হৈ চুলতানে তেওঁক দিল্লীৰ কাজী তথা বিচাৰক নিযুক্ত কৰিছিল। তেওঁ চুলতানৰ ৰোষত নপৰালৈ ভালেমান বছৰ ধৰি সেই পদবীতে বাহাল আছিল শেষত চুলতানে তেওঁক কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। অৱশেষত যেতিয়া পৰস্পৰৰ মাজৰ ভুল বুজাবুজি অন্তৰ্হিত হৈছিল তেতিয়া চুলতানে তেওঁক পুনৰ সাম্ৰাজ্যৰ প্ৰশাসনিকপদবীত নিয়োগ কৰিছিল আৰু ১৩৪২ চনত তেওঁক চীনলৈ সেই দেশৰ মংগোল শাসনকৰ্তা জনৰ ওচৰলৈ দূত হিচাপে যাবলৈ আদেশ দিছিল।

এই নতুন দায়িত্ব মূৰ পাতি লৈ ইব্‌ন বটুটাই এইবাৰ মধ্য ভাৰতৰ মাজেৰে মালাবৰ উপকূললৈ যাত্ৰা কৰিছিল। মালাবৰৰপৰা তেওঁ মালদ্বীপলৈ গৈছিল আৰু তাতেই কাজী হিচাপে ডেৰ বছৰ কটাইছিল আৰু শেহত শ্ৰীলংকালৈ যাবলৈ মন মেলিছিল। তাৰ পিছত তেওঁ পুনৰ মালাবৰ উপকূল আৰু তাৰপৰা মালদ্বীপলৈ ওভতি গৈছিল আৰু চীনলৈ যাত্ৰা আৰম্ভ কৰাৰ আগতে বংগদেশ আৰু অসমো ভ্ৰমণ কৰিছিল। এখন জাহাজত উঠি তেওঁ সুমাত্ৰালৈ গৈছিল, আৰু তাৰপৰা অন্য এখন জাহাজত উঠি চৈনিক বন্দৰ চহৰ জাইটুন (বৰ্তমান কুৱানজৌ নামে জনাজাত) লৈ গৈছিল।

DailyAssam.Com





নক্সা ৫.৪
যাত্ৰী কঢ়িওৱা এখন নাও, বঙ্গৰ কোনো এটা মন্দিৰৰ পোৰা মাটিৰ ভাস্কৰ্য
(আনুমানিক সপ্তদশ-অষ্টাদশ শতাব্দীৰ)

তেওঁ চীনত বিস্তাৰিতভাৱে ভ্ৰমণ কৰিছিল, আনকি বেইজিঙলৈও গৈছিল যদিও সেই দেশত বেছি দিন নথাকিল। ১৩৪৭ চনত তাৰপৰা নিজ গৃহভূমিলৈ প্ৰত্যাবৰ্তনৰ সিদ্ধান্ত লৈছিল। তেওঁৰ ভ্ৰমণ কাহিনী মাৰ্কো প'লোৰ ভ্ৰমণ কাহিনীৰ সৈতে ৰিজোৱা হয়। মাৰ্কো প'লোৱে তেওঁৰ গৃহ চহৰ ভেনিচৰপৰা ত্ৰয়োদশ শতিকাৰ শেহৰ পিনে বিদেশ ভ্ৰমণলৈ ওলাইছিল আৰু তেওঁ চীন (আৰু ভাৰতবৰ্ষও) ভ্ৰমণ কৰিছিল।

➲ কোনো কোনো ভ্ৰমণকাৰীয়ে লগত অস্ত্ৰ-শস্ত্ৰও লৈ গৈছিল বুলি তুমি কিয় ভাৱা?

ইব্‌ন বটুটাই তেওঁৰ ভ্ৰমণ কালত সংস্পৰ্শলৈ অহা নতুন কৃষ্টি-সভ্যতা, ভিন ভিন মানুহ আৰু তেওঁলোকে পোষণ কৰা বিশ্বাস, প্ৰমূল্য আদিৰ বিষয়ে খুব সাৱধানতাৰে তেওঁৰ ভ্ৰমণ কাহিনীত লিপিবদ্ধ কৰিছিল। আমি মনত ৰখা দৰ্কাৰ যে এই হেন পৃথিবী ভ্ৰমণকাৰীজনে চতুৰ্দশ শতিকাত ভ্ৰমণ কৰিছিল, আৰু তেতিয়া ভ্ৰমণ কৰাটো বৰ্তমানতকৈ অতি দুসাধ্য কষ্টকৰ আৰু বিপদসংকুল আছিল। ইবন বটুটাৰ মতে তেতিয়া মুলতানৰপৰা দিল্লীলৈ ভ্ৰমণ কৰোঁতে প্ৰায় দুকুৰি দিন লাগিছিল। দৌলতাবাদ আৰু দিল্লীৰ মাজৰ দূৰত্ব অতিক্ৰম কৰোঁতে লাগিছিল প্ৰায় চল্লিশ দিন, আনহাতে গোৱালিয়ৰৰপৰা দিল্লীলৈ দহ দিন।

### অকলশৰীয়া ভ্ৰমণকাৰী


দূৰণীবটীয়া ভ্ৰমণকালত অকল ডকাইতসকলেই প্ৰধান বিপদ নাছিলঃ ভ্ৰমণকাৰীজনৰ নিজ গৃহৰ প্ৰতি আসক্তি বাঢ়িব পাৰে নতুবা তেওঁ বেমাৰত পৰিবও পাৰে। তলত ৰিহ্‌লাৰপৰা এটি উদ্ধৃতি দিয়া হ'লঃ

> মই জ্বৰৰ দ্বাৰা আক্ৰান্ত হলো আৰু শৰীৰৰ দুৰ্বলতাৰ বাবে ঘোঁৰাৰপৰা যাতে পৰি নাযাও সেইটো নিশ্চিত কৰিবলৈ মই মোক পাগুৰীৰ কাপোৰেৰে জীন্‌ৰ সৈতে মজবুতকৈ বান্ধি ললো। সেইদৰে অৱশেষত আমি টিউনিচ বোলা চহৰখন পালো। নগৰৰ লোকসকলে শ্বেইখক... আৰু কাজীৰ পুত্ৰক আদৰণি জনাবলৈ ঘৰৰ বাহিৰলৈ ওলাই আহিছিল। তেওঁলোকে সকলো ফালৰপৰা শুভেচ্ছা আৰু অভিবাদন জনাবলৈ আৰু পৰস্পৰৰ মাজতে নানা প্ৰশ্নৰ অৱতাৰণা কৰি সন্মুখলৈ ওলাই আহিছিল, কিন্তু আচৰিত কথা কোনেও মোক সম্ভাষণ জনাই এটাও শব্দ উচ্চাৰণ কৰা নাছিল, কিয়নো মই চিনি পোৱা লোক তেওঁলোকৰ মাজত এজনো নাছিল। মই মোৰ একাকীত্বৰ বাবে মনত ইমান দুখ পালো যে চকুপানী সম্বৰণ কৰিব নোৱাৰিলো, মই বৰ দুখ লগাকৈ কান্দিছিলো। কিন্তু মোৰ একাকীত্বৰ কথা গম পাই এজন তীৰ্থযাত্ৰীয়ে মোৰ ওচৰলৈ আহি মোক অভিবাদন জনাইছিল।

DailyAssam.Com



*মানচিত্ৰ ১*
*আফগানিস্থান, সিন্ধু আৰু পাঞ্জাবত ইব্‌ন্ বটুটাই ভ্ৰমণ কৰা স্থানসমূহ। ইয়াৰে কিছুমান ঠাইৰ বানান ইব্‌ন্ বটুটাই যিদৰে লিখি গৈছে, ঠিক সেইদৰেই উল্লেখিত হৈছে।*




**➲ মানচিত্ৰত স্কেল ব্যৱহাৰ কৰি মুলতান আৰু দিল্লীৰ মাজত মাইলৰ হিচাবত দূৰত্ব নিৰূপণ কৰা**

ভ্ৰমণ কাৰ্য আকৌ অত্যন্ত অনিশ্চিত আৰু আশংকাযুক্ত আছিলঃ ইব্‌ন্ বটুটা কেবাবাৰো ডকাইতৰ দলৰ দ্বাৰা আক্ৰান্ত হৈছিল। দৰাচলতে তেওঁ আন সংগী লগত লৈ ভ্ৰমণকাৰী দলৰ সৈতে ভ্ৰমণ কৰাৰ পক্ষপাতী আছিল, কিন্তু তেনে অৱস্থাইও যাত্ৰপথত ডকাইতক নিৰুৎসাহ কৰা নাছিল। উদাহৰণ হিচাপে মূলতানৰপৰা দিল্লীলৈ গৈ থাকোঁতে তেওঁৰ দলৰ ভ্ৰমণকাৰীসকলক ডকাইতে আক্ৰমণ কৰিছিল আৰু সেই আক্ৰমণত ভালেমান ভ্ৰমণকাৰীৰ মৃত্যু ঘটিছিল। তাৰ ভিতৰত ইব্‌ন্ বটুটাসহ যিসকল বাছি আছিল তেওঁলোকো গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হৈছিল।

## ২.২ "কৌতুহল নিবৃত্তিৰ স্পৃহা"

আমি লক্ষ্য কৰা মতে ইব্‌ন্ বটুটা এজন দুৰ্ঘোৰ ভ্ৰমণকাৰী আছিল। তেওঁ ভ্ৰমণ কাৰ্যতে বহু বছৰ পাৰ কৰি দিছিল আৰু নিজ গৃহ দেশ মৰক্কোলৈ ওভতি যোৱাৰ পূৰ্বে তেওঁ উত্তৰ আফ্ৰিকা, পশ্চিম এছিয়া, মধ্য এছিয়াৰ অংশ বিশেষ (তেওঁ সম্ভৱত ৰুচ দেশো ভ্ৰমণ কৰিছিল), ভাৰতীয় উপমহাদেশ আৰু চীন আদি দেশ ভ্ৰমণ কৰিছিল। তেওঁ গৈ নিজ দেশত উপস্থিত হোৱাত তাৰ স্থানীয় শাসনকৰ্তাই তেওঁৰ ভ্ৰমণ কালৰ অভিজ্ঞতাসমূহ লিপিবদ্ধ কৰিবলৈ নিৰ্দেশ দিছিল।

উৎস ৩

### শিক্ষা আৰু মনোৰঞ্জন

ইব্‌ন বটুটাৰ শ্ৰুতলিপিৰ লিপিকাৰ ইবন জুজাই তেওঁৰ অৱতৰণিকাত এইদৰে লিখিছিল ঃ

শাসনকৰ্তাৰ পৰা এটি মহানুভৱ নিৰ্দেশ পঠিওৱা হৈছিল যাতে তেওঁ (ইবন বটুটাই) ভ্ৰমণ কালত দেখা নগৰ-চহৰৰ বিষয়ে আৰু লগতে সেই সময়ত ঘটা আৰু তেওঁৰ মনত ৰৈ যোৱা আমোদজনক ঘটনাৰ বিষয়ে কাহিনী আকাৰে লিপিকাৰক কৈ যায়। সেইটো কৰোঁতে তেওঁ কোন দেশৰ কোন শাসনকৰ্তাৰ সৈতে দেখা-সাক্ষাত হৈছিল সেইসকলৰ বিষয়ে আৰু সেই সেই দেশৰ প্ৰখ্যাত লোক আৰু ধাৰ্মিক সাধু-সন্তৰ বিষয়ে লিপিকাৰক কৈ যাব লাগে। সেইমতে উক্ত বিষয়সমূহৰ ওপৰত তেওঁ এটি কাহিনীৰ শ্ৰুতলিপি দিছিল যিটোৱে মনোৰঞ্জনৰ যোগান ধৰাৰ লগতে শ্ৰোতাক আনন্দৰে দীপ্তিমান কৰি তুলিছিল। তেওঁৰ সেই কাহিনী হৰেক ৰকমৰ কৌতুহল উদ্দীপক ঘটনাৰ সমাহাৰ আছিল যাৰ বাহ্যিক প্ৰকাশে বহু আচৰিত বস্তু বা ঘটনা সম্পৰ্কে শিক্ষা প্ৰদান কৰাৰ লগতে অনুৰাগৰ সৃষ্টি কৰাত সহায় কৰিছে।

### ইব্‌ন বটুটাৰ পদাংক অনপসৰণ কৰি

চতুৰ্দশ শতিকাৰপৰা অষ্টাদশ শতিকাৰ ভিতৰত ভাৰতবৰ্ষলৈ ভ্ৰমণাৰ্থে অহা বহু পৰ্যটকে পাৰ্চী ভাষাত ভাৰতবৰ্ষ সম্পৰ্কে ভালেমান ভ্ৰমণ কাহিনী ৰচনা কৰি গৈছে। একে সময়তে মধ্য এছিয়া, ইৰাণ আৰু অ'টোমেন সাম্ৰাজ্য ভ্ৰমণ কৰা ভাৰতীয় পৰ্যটকেও মাজে-সময়ে ভ্ৰমণ কালত লাভ কৰা তেওঁলোকৰ অভিজ্ঞতাসমূহ লিপিবদ্ধ কৰিছিল। উক্ত লিখকসকলে সততে আল্ বেৰুণী আৰু ইবন্ বটুটাৰ পদাংক অনুসৰণ কৰিছিল আৰু কেতিয়াবা উক্ত পূৰ্বসুৰী লিখকৰ লিখনীসমূহ অধ্যয়ন কৰিছিল। পৰৱৰ্তী কালৰ এই লিখকসকলৰ ভিতৰত আটাইতকৈ অধিক জনপ্ৰিয় লিখককেইজন আছিল আবদুৰ ৰেজ্জাক সমৰখণ্ডী, মাহমুদ ৱালী বালখী আৰু শ্বেইখ আলি হাজিন। আবদুৰ ৰেজ্জাক সমৰখণ্ডীয়ে ১৪৪০ৰ পিছৰ কালছোৱাত আৰু মাহমুদ ৱালী বালখীয়ে ১৬২০ৰ কালছোৱাত দক্ষিণ ভাৰত ভ্ৰমণ কৰিছিল, আৰু শ্বেইখ আলি হাজিনে ১৪৪০ৰ কালছোৱাত উত্তৰ ভাৰত ভ্ৰমণ কৰিছিল। এওঁলোকৰ কেইজনমান ভাৰতবৰ্ষৰ দ্বাৰা সম্মোহিত হৈ পৰিছিল, আৰু তাৰে ভিতৰত মাহমুদ বালখী আনকি কিছুদিনৰ বাবে সন্যাসী হৈ পৰিছিল। আনকেইজনমান আকৌ—যেনে হাজিন—ভাৰতবৰ্ষৰ ক্ষেত্ৰত, য'ত উষ্ণ আদৰণি তথা সম্ভাষণ পাব বুলি আশা কৰিছিল, হতাশ আৰু আনকি ভীষণভাৱে বিৰক্ত হৈ পৰিছিল। অধিক সংখ্যকৰ বাবে ভাৰতবৰ্ষ আছিল এখন বিস্ময়কৰ দেশ।




*নক্সা ৫.৫*
*অষ্টাদশ শতিকাৰ চিত্ৰাঙ্কনখনত শিবিৰ প্ৰাঙ্গণত জুই ধৰি ভ্ৰমণকাৰীসকলে আড্ডাত বহা দৃশ্য এটি অঙ্কিত হৈছে।*

### আলোচনা

ভ্ৰমণ কাহিনী ৰচনা কৰাৰ ক্ষেত্ৰত আল্ বেৰুণী আৰু ইব্‌ন বটুটাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত এটি তুলনাত্মক আলোচনা লিখা।

DailyAssam.Com





নক্সা ৫.৬
*সপ্তদশ শতিকাৰ এইখন ৰঙীন চিত্ৰাংকনত ইউৰোপীয় পোছাক পৰিহিত ফ্ৰাঁছোৱা বাৰ্ণিয়াৰক দেখা গৈছে।*

## ৩ ফ্ৰাঁছোৱা বাৰ্ণিয়াৰ এজন পৃথক ধৰণৰ চিকিৎসক

১৫০০ চনৰ আশে-পাশে পৰ্তুগিজসকল ভাৰতবৰ্ষলৈ আহি পোৱাত তেওঁলোকৰ মাজৰ ভালেমানে ভাৰতবৰ্ষৰ সামাজিক আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠান সম্পৰ্কে সুদীৰ্ঘ টোকা লিখি উলিয়াইছিল। জেছুইট ৰবাৰ্টো নবিলি আদি কেইজনমানে আনকি ভাৰতীয় ভাষাত ৰচিত সাহিত্য ৰাজি ইয়োৰূপীয় ভাষালৈ অনুবাদ কৰিছিল। পৰ্তুগিজ লিখকসকলৰ ভিতৰত আটাইতকৈ জনাজাত লোকজন আছিল ডুৱাৰ্টে বাৰবোছা, তেঁৱেই দক্ষিণ ভাৰতৰ বেহা-বেপাৰ আৰু সমাজ সম্পৰ্কে এটি সুদীৰ্ঘ টোকা লিখি উলিয়াইছিল। পিছত বিশেষকৈ ১৬০০ চনৰপৰা বহু পৰিমাণৰ ওলান্দাজ, ইংৰাজ আৰু ফৰাছী পৰ্যটক ভাৰতবৰ্ষলৈ আহিবলৈ ধৰে। ফৰাছী পৰ্যটকসকলৰ ভিতৰত জ্যা বেপটিষ্ট টেভাৰ্নিয়াৰ আছিল অন্যতম প্ৰখ্যাত লোক। বৃত্তিত গহনা বেপাৰী এই লোকজনে অতি কমেও ছয়বাৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰিছিল। তেওঁ বিশেষকৈ ভাৰতবৰ্ষৰ বাণিজ্যিক অৱস্থানৰ প্ৰতি সন্মোহিত হৈ পৰিছিল আৰু ভাৰতবৰ্ষক ইৰাণ আৰু অ'টোমেন সাম্ৰাজ্যৰ সৈতে তুলনা কৰিছিল। ইটালীৰ চিকিৎসক মানুচ্চিৰ দৰে ভালেমান পৰ্যটকে ইয়োৰূপলৈ ওভতি নগৈ ভাৰতবৰ্ষতে স্থায়ীভাৱে বসতি কৰিবলৈ লৈছিল। ফৰাছী লোক ফ্ৰাঁছোৱা বাৰ্ণিয়াৰ যদিও বৃত্তিত আছিল এজন চিকিৎসক লগতে তেওঁ আছিল এজন ৰাজনৈতিক দাৰ্শনিক আৰু ইতিহাসবিদ। আন বহুতৰ দৰে তেওঁ ভাগ্যৰ সন্ধানত মোগল সাম্ৰাজ্যলৈ আহিছিল। ১৬৫৬ চনৰপৰা ১৬৬৮ লৈ ধৰি তেওঁ প্ৰায় বাৰ বছৰ কাল ভাৰতবৰ্ষতে কটাইছিল। সেই সময়ছোৱাত তেওঁ মোগল ৰাজসভাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছিল, পোনতে সম্ৰাট ছাহ জাহানৰ জ্যেষ্ঠ পুত্ৰ দাৰা খ্বিকোহৰ ব্যক্তিগত চিকিৎসকৰূপে আৰু তাৰ পৰৱৰ্তী কালত, ডানিছমাণ্ড খানৰ সৈতে, এজন বুদ্ধিজীৱী আৰু বৈজ্ঞানিক হিচাপে। ডানিছমাণ্ড খান আছিল মোগল ৰাজসভাৰ অৰ্ন্তভূক্ত এজন আৰ্মেনিয়ান লোক।

### ৩.১ পূব আৰু পশ্চিমৰ তুলনা কাৰ্য

বাৰ্ণিয়াৰে দেশৰ ভালেমান অঞ্চল ভ্ৰমণ কৰিছিল, তেওঁ সেইবিলাকত যি ভাবেই তেওঁৰ ভ্ৰমণ কাহিনীত লিপিবদ্ধ কৰিছিল আৰু তেনে কৰোঁতে তেওঁ সঘনে তাক ইয়োৰূপৰ অৱস্থাৰ সৈতে তুলনা কৰিছিল। তেওঁ তেওঁৰ মূল ভ্ৰমণ কাহিনীটো ফ্ৰান্সৰ ৰজা চতুৰ্দশ লুইৰ প্ৰতি উৎসৰ্গা কৰিছিল। আনহাতে তেওঁৰ অন্য ভালেমান ৰচনা ফ্ৰান্সৰ মন্ত্ৰী আৰু প্ৰভাৱশালী আমোলাসকললৈ বুলি পঠিওৱা চিঠিৰ আকাৰত লিখা হৈছিল। বাৰ্ণিয়াৰে ভাৰতবৰ্ষত যি দেখিছিল তাৰ প্ৰায় প্ৰতিটোৱেই আছিল তেওঁৰ বাবে ইয়োৰূপত সাধিত উন্নয়নৰ তুলনাত আকৰ্ষণহীন নতুবা নিৰানন্দ। আমি দেখিম যে তেওঁৰ এই ধৰণৰ মূল্যাংকন সকলো সময়তে শুদ্ধ তথা যথাৰ্থ নাছিল। তথাপিও তেওঁৰ লিখনীসমূহ যেতিয়া প্ৰকাশ কৰা হৈছিল, সেইবিলাক ভীষণভাৱে জনপ্ৰিয় হৈ পৰিছিল।



নক্সা ৫.৭
*ভাৰতীয় পোছাকত পৰ্যটক টাভাৰ্ণিয়াৰ*

উৎস ৪

### মোগল সেনা বাহিনীৰ সৈতে কৰা ভ্ৰমণ

বাৰ্ণিয়াৰে প্ৰায়েই সেনা বাহিনীৰ সৈতে ভ্ৰমণ কৰিছিল। তলৰ উদ্ধৃতিটো সেনা বাহিনীয়ে কাশ্মীৰলৈ কৰা যাত্ৰাৰ বৰ্ণনাৰ অংশ বিশেষ আছিল ঃ

মই লগত দুটা তুৰ্কী ঘোঁৰা নিয়াটো জৰুৰী আছিল। অৱশ্যে মই তাৰ উপৰিও দেশ দস্তুৰ মতে মোৰ লগত এটি শক্তিশালী পাৰস্য দেশীয় উট আৰু তাৰ চালক, লগতে দুটা ঘোঁৰা চহিচ, এটা ৰান্ধনি আৰু মোৰ ঘোঁৰাৰ আগে আগে হাতত পানীৰ বটল লৈ যাবলৈ এজন চাকৰো নিছিলোঁ। মোক লগতে সকলো ধৰণৰ লাগতিয়াল সামগ্ৰীৰ যোগান ধৰা হৈছিল, যেনে মধ্যম আকাৰৰ এখন তম্বু, এখন কাৰ্পেট, লৈ ফুৰিব পৰা আৰু লঘু বেতৰ দ্বাৰা তৈয়াৰ কৰা এখন বিছনা, এটা গাৰু, এখন তুলী, আহাৰ খোৱাৰ সুবিধাৰ বাবে এখন চামৰাৰে তৈয়াৰী ঘূৰণীয়া টেবুল, কেইখনমান গামোচা আৰু শুকান কাপোৰ, ৰন্ধন সঁজুলি থকা তিনিখন সৰু বেগ। এই বেগকেইখন আকৌ অন্য এখন অধিক আহল-বহল ছালৰ ৰচীৰে সঁজোৱা বেগত লোৱা হৈছিল। সেই বেগখনত লগতে আছিল ৰছদ-পাতি, গৰাকী আৰু চাকৰ-নাকৰে পিন্ধিবলৈ শন সূতাৰে তৈয়াৰী কৰা কাপোৰ আৰু অন্যান্য সাজ-পোছাক। মই লগতে ৫ৰপৰা ৬ দিন পৰ্যন্ত চলিব পৰাকৈ উত্তম বিধ চাউল, গুৱা-মৰিৰ ৰসযুক্ত সুস্বাদু বিস্কুট, চুন আৰু চেনীও লৈছিলোঁ। এই দেশত নেমু আৰু দৈতকৈ মন জুৰোৱা একো বস্তুয়েই নাছিল সেয়ে মই দৈ ৰাখিবলৈ এখন শন সূতাৰে তৈয়াৰ কৰা আৰু হুক লগোৱা মোনাও লৈছিলোঁ যাতে সেইখন ওলোমাই থব পাৰি।

➲ আজিৰ দিনত ভ্ৰমণ কৰিলে তুমি বাৰ্ণিয়াৰৰ তালিকাখনৰপৰা কি কি বস্তু লগত নিবা?

### ভাৰতবৰ্ষ সম্পৰ্কে সৃষ্টি কৰা ধাৰণা তাৰ প্ৰচাৰ

ইয়োৰূপীয় পৰ্যটকসকলৰ ভ্ৰমণ কাহিনীৰ কিতাপাকাৰে ছপা কৰা কাৰ্যই আৰু তাৰ প্ৰচাৰে ইয়োৰূপীয় লোকৰ মনত ভাৰতবৰ্ষ সম্পৰ্কে এটি ধাৰণা পোষণ কৰিবলৈ সহায় কৰিছিল। পিছত বিশেষকৈ ১৭৫০ চনৰ পৰবৰ্তী কালত যেতিয়া শ্বেইখ ইতিছামুদ্দিন আৰু মিৰ্জা আবু তালিব আদি ভাৰতীয় লোকে ইয়োৰূপ ভ্ৰমণ কালত ইয়োৰূপীয়সকলে ভাৰতীয় সমাজ সম্পৰ্কে পোষণ কৰা ধাৰণাৰ সন্মুখীন হৈছিল তেতিয়া তেওঁলোকে নিজস্ব ধৰণেৰে সেই ধাৰণাৰ ওপৰত প্ৰভাৱ পেলাবলৈ চেষ্টা কৰিছিল।

বাৰ্ণিয়াৰৰ লিখনীসমূহ পোনতে ১৬৭০-৭১ৰ বছৰটোত ফ্ৰান্সত প্ৰকাশ কৰা হৈছিল আৰু তাৰ পিছৰ পাঁচ বছৰৰ ভিতৰতে সেইবিলাক ইংৰাজী, ওলন্দাজ, জাৰ্মান আৰু ইটালীয়ান ভাষাত অনুবাদ কৰি উলিওৱা হৈছিল। ১৬৭০-১৭২৫ৰ কালছোৱাত তেওঁৰ ভ্ৰমণ কাহিনী ফৰাছী ভাষাত আঠবাৰ আৰু ১৬৮৪ চনলৈ ইংৰাজীত তিনিবাৰ পুনৰ মুদ্ৰণ কৰা হৈছিল। সেই ফালৰপৰা আৰবী আৰু পাৰ্চী ভাষাত ৰচনা কৰা ভ্ৰমণ কাহিনীৰ তুলনাত অধিক লক্ষণীয় আছিল, আনহাতে আৰবী আৰু পাৰ্চী ভাষাত ৰচিত ভ্ৰমণ কাহিনীসমূহ হাতেলিখা অৱস্থাতে প্ৰচাৰ কৰা হৈছিল আৰু দৰাচলতে ১৮০০ চনৰ আগলৈ সেইবোৰ ছপা গ্ৰন্থৰ আকাৰত প্ৰকাশিত হোৱা নাছিল।

➲ আলোচনা কৰা...

ভাৰতীয় ভাষাত ভালেমান উৎকৃষ্ট ভ্ৰমণ কাহিনী আছে। তুমি ঘৰত ব্যৱহাৰ কৰা ভাষাত ভ্ৰমণ কাহিনী লিখা এজন লিখক বা লিখিকাক বিচাৰি উলিওৱা। তেনে এখন ভ্ৰমণ কাহিনী অধ্যয়ন কৰা আৰু সেই ভ্ৰমণকাৰী মহিলাই হওক বা পুৰুষেই হওক তেওঁ ভ্ৰমণ কৰা ঠাইসমূহৰ বৰ্ণনা কৰা।

DailyAssam.Com



## ৪. অচিনাকী দেশ এখন বুজিবলৈ চেষ্টা কৰা আল্ বেৰুণী আৰু সাংস্কৃতিক ঐতিহ্য

### ৪.১ দেশ এখনক বুজিবলৈ থকা বাধাসমূহ অতিক্ৰম কৰা

আমি দেখি আহিছোঁ যে পৰ্যটকসকলে সততে যিবিলাক পৰিস্থিতিৰ সৈতে পৰিচিত আছিল কেৱল সেইবিলাকৰ সৈতেহে ভাৰতবৰ্ষত প্ৰত্যক্ষ কৰা অৱস্থাৰ তুলনা কৰাত অভ্যস্ত আছিল। প্ৰতিজন পৰ্যটকেই নিজে প্ৰত্যক্ষ কৰা পৰিস্থিতি বুজিবলৈ কৰা পৰ্যবেক্ষণৰ ক্ষেত্ৰত পৃথক পৃথক পদ্ধতি প্ৰয়োগ কৰিছিল। উদাহৰণ হিচাপে আল্ বেৰুণী যি কোনো এটি বিষয়ৰ অন্তৰ্নিহিত প্ৰশ্ন বা সমস্যাৰ ক্ষেত্ৰত কৰণীয় কাম সম্পৰ্কে ভালকৈ অৱহিত আছিল। কোনো এটা পৰিস্থিতি বুজাৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা বিভিন্ন প্ৰতিবন্ধক সম্পৰ্কে তেওঁ পূৰ্বতে মনৰ ভিতৰতে পৰ্যালোচনা কৰি লৈছিল। সেই প্ৰতিবন্ধক বিলাকৰ ভিতৰত প্ৰথমটো আছিল ভাষা। তেওঁৰ মতে সংস্কৃত ভাষা আৰবী আৰু পাৰ্চী ভাষাৰপৰা ইমান ভিন্ন আছিল যে তাত সোমাই থকা মৰ্ম আৰু ধাৰণাবিলাক খুব সহজেই এটা ভাষাৰপৰা আনটো ভাষালৈ তৰ্জমা কৰাটো সহজসাধ্য নাছিল।

তেওঁ চিনাক্ত কৰা দ্বিতীয় প্ৰতিবন্ধকতাটো আছিল ধৰ্মীয় বিশ্বাস আৰু আচাৰ-অনুষ্ঠানৰ মাজত বিৰাজ কৰা ব্যৱধান। তেওঁৰ মতে তৃতীয়টো প্ৰতিবন্ধক আছিল থলুৱা লোকসকলৰ মাজত সততে বিৰাজ কৰা আত্মকেন্দ্ৰীকতা আৰু তৎসৃষ্ট সংকীৰ্ণ মনোভাব। মজাৰ কথা আছিল এইটো যে উক্ত প্ৰতিবন্ধকতাসমূহৰ উপস্থিতি স্বত্বেও আল্ বেৰুণীয়ে বহুলাংশে ব্ৰাহ্মণসকলৰ দ্বাৰা ৰচিত লিখনীৰ ওপৰত অধিক পৰিমাণে নিৰ্ভৰশীল আছিল, ভাৰতীয় সমাজখন বুজাত সহায় কৰাৰ অৰ্থে তেওঁ সঘনে বেদ, পুৰাণ, ভাগৱত গীতা, পতঞ্জলীৰ লিখনী, মনুস্মৃতি আদিৰপৰা উদ্ধৃতি দিছিল।

### ৪.২ আল্ বেৰুণীয়ে দিয়া বৰ্ণ বিভাজনৰ বৰ্ণনা

অন্যান্য সমাজত প্ৰচলিত অনুৰূপ নমুনাৰ ওপৰত নিৰ্ভৰ কৰি আল্ বেৰুণীয়ে ভাৰতীয় সমাজত প্ৰচলিত বৰ্ণ বিভাজনৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰিছিল। তেওঁ সংক্ষেপে উল্লেখ কৰিছিল যে প্ৰাচীন পাৰস্যত চাৰি ধৰণৰ সামাজিক শ্ৰেণীৰ প্ৰতি স্বীকৃতি দিয়া হৈছিলঃ (১) কুলীন যোদ্ধা আৰু ৰজা বা ৰাজকুমাৰ, (২) সাধু-সন্ত, পুৰোহিত আৰু উকিল, (৩) চিকিৎসক, জ্যোৰ্তিবিদ আৰু অন্যান্য বিজ্ঞানী, আৰু শেষত (৪) কৃষক আৰু কাৰিকৰ। অন্য কথাত তেওঁ ক'বলৈ বিচাৰিছে যে সামাজিক শ্ৰেণী বিভাজনটো অকল ভাৰতবৰ্ষৰ বাবেই অদ্বিতীয় নাছিল। একে সময়তে তেওঁ আঙুলিয়াই দিছিল যে ঐশ্লামিক সমাজত সকলো মানুহকেই সমান বুলি গণ্য কৰা হৈছিল যদিও মাত্ৰ ধৰ্মনিষ্ঠা পালনৰ ক্ষেত্ৰতহে কিছু ব্যৱধান বৰ্তি আছিল।

তেওঁ বেদ নিসৃত বৰ্ণবাদৰ তত্বটো গ্ৰহণ কৰিছিল যদিও আল্ বেৰুণীয়ে অপবিত্ৰতাৰ ধাৰণাটো মানি লোৱা নাছিল। তেওঁ মন্তব্য কৰিছিল যে অপবিত্ৰ অৱস্থাত থকা প্ৰতিটো বস্তুৱেই সদায়েই অপবিত্ৰ অৱস্থাৰপৰা পবিত্ৰ অৱস্থালৈ আহিবলৈ যত্ন কৰে আৰু সেইমতে পূৰ্বৰ পবিত্ৰ অৱস্থা প্ৰাপ্ত হয়। সূৰ্যই বায়ু

**বিশাল বিস্তৃতি থকা এটি ভাষা**

আল্ বেৰুণীয়ে সংস্কৃত ভাষাৰ বৰ্ণনা দিছিল এইদৰেঃ
তুমি যদি এই ভাষাটো (সংস্কৃত) আয়ত্ব কৰিবলৈ বিচৰা, তেনেহলে তুমি তাক ইমান সহজে আয়ত্ব কৰিব নোৱাৰিবা। কাৰণ এই ভাষাটোৰ বিশাল বিস্তৃতি আছে, শব্দ সম্ভাৰ আৰু উচ্চাৰণৰ বিভিন্নতা, উভয় ক্ষেত্ৰতে। আৰবীৰ দৰে এই ভাষাতো একেটা বস্তুকে বিভিন্ন নামেৰে পৰিচয় কৰি দিয়া হয়, হয়তো কেতিয়াবা মূল শব্দ আৰু কেতিয়াবা তাৰপৰা নিসৃত নামৰ আলমত। কেতিয়াবা আকৌ একেটা শব্দৰ দ্বাৰা বহু অন্যান্য বিষয়ক বুজোৱা হয়। তেনে ক্ষেত্ৰত শব্দৰ প্ৰকৃত অৰ্থটো অনুধাৱন কৰিবলৈ হ'লে গুণবাছক অভিধাৰ সহায়ত এটাক আনটোৰপৰা পৃথক কৰিব লাগিব।

**ভগৱানে ভালকৈ জানে!**

ভ্ৰমণকাৰীসকলক যি কোৱা হয় তেওঁলোকে সদায় তাকেই বিশ্বাস নকৰে। যেতিয়া আল্ বেৰুণীক কোৱা হৈছিল যে কাঠৰ মূৰ্ত্তি এটি ২,১৬,৪৩২ বছৰ ধৰি ভালে আছিল তেতিয়া তেওঁ নিজকে কৈছিলঃ যিখন ঠাইৰ জলবায়ু সেমেকা আৰু মাটি ভিজা তেনে ঠাইত তেতিয়া হ'লে কাঠ কেনেকৈ ইমান দীঘলীয়া সময়ৰ বাবে তিষ্ঠি থাকিব পাৰে, সেইটো ভগৱানেহে ভালকৈ জানে।

DailyAssam.Com



পবিত্ৰ কৰে, আৰু নিমখে সাগৰৰ পানী অপবিত্ৰ হোৱাত বাধা প্ৰদান কৰে। এইটো তেনেকৈ নঘটাহেঁতেন, আল্ বেৰুণীয়ে গুৰুত্বসহকাৰে কৈছিল, পৃথিবীত জীৱৰ সৃষ্টি নহ'লহেঁতেন। বৰ্ণ প্ৰথাৰ সৈতে সংযুক্ত সামাজিক অপবিত্ৰতাৰ ধাৰণাটো তেওঁৰ মতে আছিল প্ৰাকৃতিক নিয়মৰ পৰিপন্থী।

উৎস ৫

## বৰ্ণ প্ৰথা

আল্ বেৰুণীৰ মতে বৰ্ণ বিভাজন আছিল এনেধৰণৰ ঃ

উচ্চ বৰ্ণটো আছিল ব্ৰাহ্মণ। তেওঁলোকৰ বিষয়ে হিন্দু শাস্ত্ৰত কোৱা হৈছে যে ব্ৰহ্মাৰ মূৰৰপৰা তেওঁলোকৰ উৎপত্তি হৈছে। যিহেতু ব্ৰহ্মা প্ৰাকৃতিক শক্তিৰেই অন্য এটি নাম, আৰু যিহেতু মূৰটো শৰীৰৰ একেবাৰে উচ্চ অংশ, সেয়ে ব্ৰাহ্মণসকল মানৱ জাতিৰ ভিতৰত শ্ৰেষ্ঠ। সেই কাৰণেই হিন্দুসকলে নিজকে মানৱ জাতিৰ ভিতৰতেই শ্ৰেষ্ঠ বুলি গণ্য কৰে।

তাৰ পিছৰ জাতিটো হ'ল ক্ষত্ৰিয়, যিসকল, তেওঁলোকে কোৱা মতে, ব্ৰহ্মাৰ কান্ধ আৰু হাতৰপৰা তৈয়াৰ কৰা হৈছিল। তেওঁলোকৰ সামাজিক অৱস্থান ব্ৰাহ্মণসকলৰ পৰা বৰ বেছি তলত নহয়।

তেওঁলোকৰ পিছতে হ'ল বৈশ্যসকল, যাক ব্ৰহ্মাৰ কৰঙণৰপৰা তৈয়াৰ কৰা হৈছিল।

শূদ্ৰক ব্ৰহ্মাৰ ভৰিৰপৰা তৈয়াৰ কৰা হৈছিল।...

পিছৰ দুটা বৰ্ণৰ মাজত বৰ বিশেষ ব্যৱধান নাই। আনকি কিছু পাৰ্থক্য থাকিলেও এই দুটা বৰ্ণৰ লোকে প্ৰায় একেলগে একে নগৰ আৰু গাঁৱত বসবাস কৰে, প্ৰায় একে ঘৰতে মিলা-মিচা কৰে।

➲ তৃতীয় অধ্যায়ৰ উৎস ৬ত আল্ বেৰুণীয়ে উল্লেখ কৰা কথাখিনিৰ সৈতে এইখিনি কথা ৰিজাই চোৱা। এইক্ষেত্ৰত কোনো সাদৃশ্য আৰু বৈসাদৃশ্য তোমাৰ চকুত পৰিছেনে? ভাৰতীয় সমাজৰ বিষয়ে বুজিবলৈ আৰু তথ্য সংগ্ৰহ কৰিবলৈ এইগৰাকী পৰ্যটকে কেৱল সংস্কৃত পাঠ্যৰ ওপৰত নিৰ্ভৰ কৰিছিল বুলি তুমি ভাবানে?

এইদৰে দেখা যায় যে আল্ বেৰুণীৰ বৰ্ণ প্ৰথাৰ বৰ্ণনা তেওঁ অধ্যয়ন কৰা সংস্কৃত সাহিত্যৰ নীতি কথা সম্পৰ্কীয় লিখনীৰ দ্বাৰা প্ৰভাৱান্বিত আছিল, যিবিলাকে ব্ৰাহ্মণসকলৰ দৃষ্টিভংগীৰ ফালৰপৰা বৰ্ণ প্ৰথাৰ নীতি-নিয়মসমূহ নিৰ্ধাৰণ কৰি দিছিল। অৱশ্যে ব্যৱহাৰিক জীৱনত সেই প্ৰথাটো সিমান কঠোৰ নাছিল। উদাহৰণ হিচাপে অন্ত্যজসকলে, (অৰ্থাৎ বৰ্ণ প্ৰথা প্ৰচলিত সমাজৰ বাহিৰত জন্ম গ্ৰহণ কৰাসকল) কৃষক আৰু জমিদাৰ উভয়কে নিম্ন মজুৰীৰ শ্ৰম দান কৰাটো আশা কৰা হৈছিল। (৮ম অধ্যায়টো দ্ৰষ্টব্য) অন্য কথাত, তেওঁলোক সামজিক নিপীড়নৰ বলি হৈছিল যদিও অৰ্থনৈতিক কাম-কাজৰ অংশীদাৰ আছিল।

➲ আলোচনা কৰা...

অন্য অঞ্চলৰ পৰা অহা পৰ্যটকৰ বাবে তেওঁ ভ্ৰমণ কৰা স্থানৰ ভাষা জনাটো কিমান আৱশ্যক বুলি তুমি ভাবা?

DailyAssam.Com

## ৫. ইব্‌ন বটুটা আৰু অচিনাকী বস্তু দেখি হোৱা উত্তেজনা

চতুৰ্দশ শতিকাত ইব্‌ন বটুটা দিল্লীত উপস্থিত হোৱা সময়ত ভাৰতীয় উপমহাদেশখন পূবে চীন দেশৰপৰা উত্তৰ-পশ্চিম আফ্ৰিকালৈ আৰু তাৰপৰা পশ্চিমে ইয়োৰূপলৈ বিস্তৃত এক প্ৰায় গোলকীয় যোগাযোগৰ অংশীদাৰত পৰিণত হৈছিল। আমি আলোচনা কৰি আহিছোঁ যে স্বয়ং ইব্‌ন বটুটাই উক্ত দেশসমূহ বিস্তাৰিতভাৱে ভ্ৰমণ কৰিছিল। সেই ভ্ৰমণ কালত তেওঁ পবিত্ৰ মঠ-মন্দিৰসমূহ দৰ্শন কৰিছিল, বিজ্ঞ লোক তথা পণ্ডিত আৰু শাসনকৰ্তাৰ সৈতে বহু সময় কটাইছিল, কোনো কোনো সময়ত তেওঁ কাজী হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। উক্ত দেশসমূহৰ ভ্ৰমণ কালত তেওঁ নগৰ অঞ্চলত সহজলভ্য উদাৰ সাংস্কৃতিক ধাৰাৰ সৈতে পৰিচিত হৈছিল য'ত মানুহে আৰ্বী, পাৰ্চী, তুৰ্কী আৰু অন্যান্য ভাষা কৈছিল আৰু পৰস্পৰৰ মাজত মুকলিমূৰীয়াকৈ ভাৱৰ আদান-প্ৰদান কৰাৰ লগতে নতুন ধ্যান-ধাৰণা আৰু ৰসাল গল্প-কাহিনী উপভোগ কৰিছিল। সেইবিলাকৰ ভিতৰত আছিল আনৰ প্ৰতি দয়া প্ৰদৰ্শন কৰি বিখ্যাত হোৱা লোক, নিষ্ঠুৰ আৰু দয়ালু উভয় প্ৰকাৰৰ ৰজা, আৰু সমাজৰ সাধাৰণ শ্ৰেণীৰ পুৰুষ আৰু মহিলাৰ জীৱন প্ৰৱাহ। অৰ্থাৎ যিবিলাক ঘটনা আছিল সাধাৰণতে ব্যতিক্ৰম ধৰ্মী বিশেষকৈ সেইবিলাককে গুৰুত্ব দিয়া হৈছিল যাতে দূৰ-দূৰান্তৰ অথচ ভ্ৰমণ কৰিব পৰা দেশৰ কাহিনীৰে শ্ৰোতা বা পাঠকক নিশ্চিত আৰু যথাৰ্থভাৱে ৰোমাঞ্চিত কৰিব পাৰি।

উৎস ৬

**মানুহৰ মূৰ সদৃশ নাৰিকল**

ইব্‌ন বটুটাই দিয়া নাৰিকলৰ বৰ্ণনা আছিল নিম্নৰূপৰ ঃ

এই গছবিলাক আছিল অতি বিশেষ প্ৰকৃতিৰ আৰু দেখিবলৈ আচৰিত ধৰণৰ। গছবিলাক দেখাত খেজুৰ গছৰ দৰে, পাৰ্থক্য আছে কেৱল সিহঁতে উৎপন্ন কৰা ফলৰ ক্ষেত্ৰত,এবিধে উৎপন্ন কৰে নাৰিকল আৰু আনবিধে খেজুৰ। নাৰিকলটো দেখিবলৈ সাইলাখ মানুহৰ মূৰৰ দৰে, কিয়নো তাত আছে মানুহৰ চকু আৰু মুখৰ দৰে তিনিটাকৈ বিশেষ চিহ্ন, ডাবৰ অৱস্থাত থাকোঁতে তাৰ ভিতৰছোৱা মানুহৰ মগজুৰ দৰে আৰু তাৰ বাহিৰৰ খোলাটোৰ সৈতে সংলগ্ন হৈ থাকে কিছুমান আঁহ যিবিলাক দেখিবলৈ চুলিৰ দৰে। সেই আঁহৰপৰাই মানুহবিলাকে জৰী তৈয়াৰ কৰে, তাৰ দ্বাৰা তেওঁলোকে লোৰ গজাল ব্যৱহাৰ কৰাৰ সলনি বেজীৰে জাহাজ সি লয়। তাৰপৰা তেওঁলোকে আকৌ জাহাজ বন্ধা ফই বা শিকলিও তৈয়াৰ কৰে।

➲ নাৰিকল দেখিবলৈ কেনেকুৱা, পঢ়ুবৈসকলক সেইটো বুজাবলৈ ইব্‌ন বটুটাই কেনে ধৰণৰ ৰিজনি দাঙি ধৰিছিল? এনে ৰিজনিসমূহ তুমি যথোপযুক্ত বুলি বিবেচনা কৰানে? এই ফলবিধ যে অগতানুগতিক, সেইটো তেওঁ কেনেকৈ বুজাবলৈ চেষ্টা কৰিছিল? তেওঁৰ বৰ্ণনাটো তুমি বিবেচনা কৰা।

### ৫.১ নাৰিকল আৰু পাণ

কাহিনী উপস্থাপন কৰাৰ বাবে ইব্‌ন বটুটাৰ কৌশলৰ কেইটামান উৎকৃষ্ট উদাহৰণ আছিল, যেনে— নাৰিকল আৰু পাণৰ বিষয়ে বৰ্ণনা, এই দুই ধৰণৰ উদ্ভিদেই তেওঁৰ পাঠক বা শ্ৰোতাৰ বাবে অচিনাকী আছিল।

উৎস ৭

**পান**

ইব্‌ন বটুটাই পান সম্পৰ্কে লিখা বৰ্ণনা পঢ়া ঃ

পান এবিধ লতা জাতীয় উদ্ভিদ। ইয়াক আঙুৰৰ খেতি কৰাদি কৰা হয়। পানৰ কোনো ফল উৎপন্ন নহয়, ইয়াৰ খেতি কৰা হয় মাত্ৰ তাৰ পাতৰ বাবে। ইয়াক তামোলৰ সৈতে খোৱাৰ বাবে ব্যৱহাৰ কৰা হয়, তামোল আকৌ এটি বাদামৰ দৰে। খোৱাৰ আগতে তামোলটো সৰু সৰুকৈ টুকুৰা কৰি পানৰ সৈতে মুখত ভৰাই চোবাই খোৱা হয়। তেওঁ পান পাত লৈ তাত অলপ চুন সানি তামোলৰ সৈতে মুখত ভৰাই দাঁতেৰে চোবাই থাকে।

➲ পাণ-তামোলে ইব্‌ন বটুটাক কেলেই আকৃষ্ট কৰিছিল বুলি তুমি ভাবা? এই বৰ্ণনাৰ সৈতে তুমি আৰু কিবা সংযোজন কৰিবলৈ ভাল পাবা নেকি?

DailyAssam.Com



## ৫.২ ইব্‌ন বটুটা আৰু ভাৰতীয় নগৰ

যাৰ সাধাৰণতে মনোবল, সম্পদ আৰু বুদ্ধি-বৃত্তি আছে ইবন বটুটাৰ মতে তেওঁলোকৰ বাবে বহুতো কৌতুহলোদ্দীপক অভিজ্ঞতা সঞ্চয় কৰাৰ বাবে উপমহাদেশখনৰ নগৰসমূহত প্ৰচুৰ সা-সুবিধা বৰ্তমান। সেই নগৰসমূহ যদিও মাজে-সময়ে যুদ্ধ-বিগ্ৰহ আৰু বৈদেশিক আক্ৰমণৰ দ্বাৰা বিপৰ্যস্ত তথাপিও সেইবোৰ এফালে ঘন বসতিপূৰ্ণ আৰু আনহাতে প্ৰাচুৰ্যৰে ভৰপূৰ। ইব্‌ন বটুটাৰ ভ্ৰমণ বৃত্তান্তৰপৰা জনা যায় যে অধিক সংখ্যক নগৰৰ ৰাস্তাবোৰ মানুহৰে ভৰপূৰ হোৱাৰ উপৰিও হৰেক ৰকমৰ সা-সামগ্ৰীৰে সঁজাই-পৰাই তোলা ৰংবিৰঙৰ বজাৰ-সমাৰেৰে উভৈনদী হৈ আছিল। দিল্লী সম্পৰ্কে ইব্‌ন বটুটাই কৈছে যে ই ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ বৃহৎ নগৰ আৰু ইয়াৰ জনসংখ্যাও বিশাল। দৌলতাবাদো (মাহাৰাষ্ট্ৰৰ অন্তৰ্গত) দিল্লীতকৈ কোনো গুণে কম নাছিল আৰু আঁকাৰৰ ক্ষেত্ৰত ই দিল্লীৰ প্ৰায় সমকক্ষই আছিল।

**?** ইব্‌ন বটুটাই স্থাপত্যসমূহৰ কি কি চাৰিত্ৰিক বৈশিষ্ট্য লক্ষ্য কৰিছিল? নক্সা ৫.৮ আৰু ৫.৯ত সন্নিবিষ্ট নগৰৰ দৃষ্টান্তমূলক ব্যাখ্যাকৰণৰ সৈতে এই বিৱৰণটোৰ এটা ৰিজনি দাঙি ধৰা।

উৎস ৮

### দিল্লী

ইব্‌ন বটুটাই দিল্লী সম্পৰ্কে দিয়া বিৱৰণৰ একাংশ, তেতিয়া দিল্লীক দেহলীৰূপে লিখা হৈছিল :


দিল্লী নগৰখনে এটি বিস্তৃত এলেকা সামৰি লৈছিল আৰু ইয়াৰ আছিল এক বিশাল জনসংখ্যা...। তেতিয়া চাৰিও ফালৰপৰা নগৰখনক ঘেৰি ৰখা গড় আছিল তুলনাবিহীন। ইয়াৰ দেৱালৰ প্ৰস্থ আছিল ১১ বৰ্গ ফুট, ইয়াৰ ভিতৰতে অৱস্থিত আছিল ৰাতিৰ পহৰাদাৰ আৰু দাৱোৱানৰ থকা ঘৰ। দুৰ্গৰ ভিতৰত আছিল খাদ্য শস্য মজুত কৰি ৰাখিব পৰা ভঁৰাল ঘৰ, খাৰ-বাৰুদ আৰু অস্ত্ৰ-শস্ত্ৰৰ ভাণ্ডাৰ, আৰু লগতে আছিল কামান (ক্ষেপনাস্ত্ৰ) আৰু আক্ৰমণ কাৰ্যত ব্যৱহাৰ্য অন্যান্য যন্ত্ৰ-পাতি। দুৰ্গৰ ভিতৰত মজুত কৰি ৰখা খাদ্য শস্য নষ্ট নোহোৱাকৈ বহু দিন জোৰাকৈ ৰখা হৈছিল। দুৰ্গৰ ভিতৰত অশ্বাৰোহী আৰু পদাতিক সৈনিকে ইমূৰৰপৰা সিমূৰলৈ অনায়াসে ঘূৰি ফুৰিব পাৰিছিল। মাত্ৰ খিৰিকি বিলাকেহে দুৰ্গটোত সুৰুঙাৰ সৃষ্টি কৰিছিল আৰু সেই খিৰিকিবিলাক নগৰৰ ফালেহে খুলিব পৰা হৈছিল আৰু এই খিৰিকিবিলাকেৰে দুৰ্গৰ ভিতৰলৈ পোহৰ পৰিছিল। দুৰ্গটোৰ নিম্নাংশ শিলেৰে আৰু ওপৰৰ অংশ ইঁটাৰে নিৰ্মিত আছিল। দুৰ্গটোৰ ভালেমান গম্বুজ (টাৱাৰ) আছিল। গম্বুজবিলাক পৰস্পৰে ওচৰা-ওচৰিকৈ আছিল। নগৰখনৰ মুঠতে ২৮টা প্ৰৱেশ পথ আছিল আৰু সেইবিলাকক দ্বৰোৱাজা বোলা হৈছিল। তাৰ ভিতৰত বুদাউন দ্বৰোৱাজাই আছিল বৃহৎ, মন্দী দ্বৰোৱাজাৰ ভিতৰ ফালে আছিল খাদ্য শস্যৰ বজাৰ। গুল দ্বৰোৱাজাৰ ওচৰতে অৱস্থিত আছিল এখন ফলৰ বাৰী। দিল্লী নগৰত এখন সুন্দৰ কবৰস্থান আছিল, আৰু কবৰবিলাকৰ ওপৰত দ'ল বা টুপ আছিল। যিবিলাকৰ ওপৰত দ'ল বা টুপ নাছিল তেনে কবৰত তোৰণ থকাটো নিশ্চিত আছিল। কবৰস্থানত টিউব ৰোজ, জেছমিন বনৰীয়া গোলাপ আদি ফুলৰ গছ ৰোৱা হৈছিল, আৰু প্ৰতিটো ঋতুতে তাত ফুল ফুলি আছিল।



নক্সা ৫.৮
দিল্লীৰ টুগলকাবাদৰ এটি তোৰণ



নক্সা ৫.৯
জনবসতি অঞ্চলৰ দুৰ্গৰ প্ৰাচীৰৰ একাংশ



*নক্সা ৫.১০*
*ইয়াত প্ৰদৰ্শিত ইকাত্ নামৰ বয়ন শিল্পৰ আৰ্হি কেতবোৰ উপমহাদেশ আৰু দক্ষিণ-পূব এছিয়াৰ উপকুলস্থ ভালেমান উৎপাদন কেন্দ্ৰত সামান্য পৰিবৰ্তিত ৰূপত ব্যৱহৃত হোৱা দেখা গৈছে।*

বজাৰসমূহ অকল পণ্য ক্ৰয়-বিক্ৰয় তথা অৰ্থনৈতিক আদান-প্ৰদানৰ স্থানেই নাছিল, লগতে আছিল সামাজিক আৰু সাংস্কৃতিক আদান-প্ৰদানৰো কেন্দ্ৰ। প্ৰায়বোৰ বজাৰতেই একোটা মছজিদ আৰু মন্দিৰ আছিল। তাৰে কোনো কোনোটোত নাচনিয়াৰ, গায়ন-বায়ন আৰু গায়কসকলে জনসাধাৰণৰ বাবে মনোৰঞ্জনৰ যোগান ধৰিব পৰাকৈ নিৰ্দিষ্ট ঠাইৰ ব্যৱস্থা ৰখা হৈছিল।

নগৰসমূহৰ প্ৰাচৰ্য সম্পৰ্কে ইব্‌ন বটুটাই বৰ বিশেষ ব্যাখ্যা-বিশ্লেষণ কৰা নাছিল যদিও ঐতিহাসিকসকলে তেওঁৰ ভ্ৰমণ বৃতান্তৰ ওপৰত নিৰ্ভৰ কৰিয়েই এইটো সাব্যস্ত কৰিছে যে নগৰসমূহত কেন্দ্ৰীভূত ধন-দৌলতৰ অধিকাংশ গ্ৰাম্যাঞ্চলৰ উদ্বৃত্ত উৎপাদন আত্মসাৎ কৰাৰ জৰিয়তেই সম্ভৱ হৈছিল। কৃষি ভূমিৰ উৰ্বৰা শক্তিৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় কৃষি ব্যৱস্থা অধিক উৎপাদনক্ষম আছিল বুলি ইব্‌ন বটুটাই লক্ষ্য কৰিছিল। ভূমিৰ উৰ্বৰা শক্তিয়ে কৃষকসকলক বছৰত দুটা শস্যৰ খেতি কৰিবলৈ সুবিধা দিছিল। তেওঁ লগতে উল্লেখ কৰিছিল যে উপমহাদেশখন এছিয়াৰ আভ্যন্তৰীণ বেহা-বেপাৰৰ সৈতে প্ৰশস্তভাৱে সলগ্ন থকাত আৰু পশ্চিম এছিয়া আৰু দক্ষিণ-পূৰ্ব এছিয়াৰ বজাৰত ভাৰতীয় পণ্যৰ যথেষ্ট চাহিদা থকাত তেতিয়া ভাৰতীয় কাৰিকৰ আৰু বণিকৰ প্ৰচুৰ লাভ হৈছিল। সেইবিলাক দেশত ভাৰতীয় বস্ত্ৰ, বিশেষকৈ কঁপাহী কাপোৰ, সুন্দৰ মছলিন কাপোৰ, পাট কাপোৰ, বুটা তোলা ৰেশমী কাপোৰ আৰু ছেটিনৰ বহুত চাহিদা আছিল। ইব্‌ন বটুটাই সদৰি কৰা মতে কোনো কোনো প্ৰকাৰৰ মছলিন কাপোৰৰ মূল্য ইমানেই বেছি আছিল যে সেইবিলাক কেৱল আঢ্যৱন্ত আৰু অতি চহকী লোকেহে পৰিধান কৰিব পাৰিছিল।

উৎস ২

### বজাৰত সংগীত

ইবন বটুটাই দৌলতাবাদ সম্পৰ্কে কোৱা কথা পঢ়া ঃ

দৌলতাবাদত পুৰুষ আৰু মহিলা গায়কসকলৰ বাবে এখন ঠাই আছে, সেই ঠাই টুকুৰাকে তাৰাবাবাদ নামে জনা যায়। এইখন বজাৰসমূহৰ ভিতৰত আটাইতকৈ বৃহৎ আৰু অতি বিতোপন বজাৰ আছিল। ইয়াত অসংখ্যা দোকান আছে আৰু প্ৰতিখন দোকানৰে একোখন দুৱাৰ আছে যিখন দুৱাৰেৰে গ'লে দোকানৰ মালিকৰ ঘৰত ওলাব পাৰি ...। দোকানবিলাক কাৰ্পেটেৰে সজোৱা আৰু দোকানৰ মাজভাগতে আছে এখন জোলনা আৰু তাতে মহিলা গায়িকা গৰাকী বহে। তেওঁক সকলো ধৰণৰ সুন্দৰ সাঁজ-পোছাকেৰে দেখনিয়াৰকৈ সঁজোৱা হয় আৰু তেওঁৰ মহিলা পৰিচাৰিকাসকলে জোলনাত জোলাই থাকে। বজাৰৰ মধ্যস্থলত কাৰ্পেট পৰা আৰু সুন্দৰকৈ সজোৱা এখন প্ৰকাণ্ড মঞ্চ আছে, প্ৰতি বৃহস্পতিবাৰে প্ৰাত প্ৰৰ্থনাৰ অন্ত পৰাৰ পিছত গায়ন-বায়নসকলৰ প্ৰধানজনে তেওঁৰ চাকৰ-নাকৰ আৰু দাসসকলক লগত লৈ সেই মঞ্চখনত আহি আসন লয়। মহিলা গায়িকাসকলে দলে দলে আহি তেওঁৰ সন্মুখত গধূলি হোৱালৈ নাচ-গান কৰি থাকি তাৰ পিছত আঁতৰি যায়। এই বজাৰখনত প্ৰাৰ্থনা কৰিবলৈ কেবাটাও মছজিদ আছে। হিন্দু শাসনকৰ্তাসকলৰ এজনে বজাৰৰ ওচৰেৰে যাওতে প্ৰতিবাৰতে উক্ত মঞ্চখনৰ কাষত দেখা দিছিল আৰু মহিলা গায়িকাসকলে তেওঁৰ গান গাইছিল। আনকি কিছুমান মুছলমান শাসনকৰ্তাইও সেই ধৰণৰ আচৰণ কৰিছিল।

➲ ইবন্ বটুটাই কি উদ্দেশ্যে তেওঁৰ বৰ্ণনাত এনেধৰণৰ কাৰ্যসমূহ গুৰুত্বসহকাৰে প্ৰকাশ কৰিছিল বুলি তুমি ভাবা?

### ৫.৩ এক তুলনাবিহীন যোগাযোগ ব্যৱস্থা

দৰাচলতে ৰাষ্ট্ৰই বণিকসকলক উৎসাহ যোগোৱাৰ বাবে বিশেষ কাৰ্যব্যৱস্থা হাতত লৈছিল। প্ৰায় সকলোবোৰ বাণিজ্যিক পথতেই ৰাষ্ট্ৰই অতিথিশালা আৰু আলহি থাকিব পৰা ঘৰ নিৰ্মাণ কৰি দিছিল। ডাক ব্যৱস্থাৰ দক্ষতা দেখি ইবন বটুটা সঁচাই আচৰিত হৈ পৰিছিল। ডাক ব্যৱস্থাৰ যোগেদি বণিকসকলে যে দূৰ-দূৰণিলৈ খা-খবৰ আৰু ধন-বিতেই পঠিয়াব পাৰিছিল তেনে নহয়, লগতে অতি কম সময়ৰ ভিতৰতে প্ৰয়োজনীয় পণ্য সামগ্ৰীও পঠিয়াব পাৰিছিল। যি সময়ত সিন্ধুৰপৰা দিল্লী লৈ বিস্তৃত পথছোৱা অতিক্ৰম কৰিবলৈ হ'লে ৫০ দিন লাগিছিল, ডাক ব্যৱস্থা অতি দক্ষ আছিল গুণেই চোৰাংচোৱা তথা গুপ্তচৰসকলে দাখিল কৰা প্ৰতিবেদন অনায়সে ৫ দিনৰ ভিতৰতে চুলতানৰ হাতত পৰিছিলগৈ।
উৎস ১০

**ডাক ব্যৱস্থা ঃ ঘোঁৰা আৰু পদযাত্ৰাৰে**

ডাক ব্যৱস্থা সম্পৰ্কে ইবন বটুটাই দিয়া বৰ্ণনা ঃ

ভাৰতবৰ্ষৰ ডাক ব্যৱস্থা দুই প্ৰকাৰৰ। ঘোঁৰাৰে পৰিচালিত ডাক, যাক উলুক বোলা হৈছিল, ব্যৱস্থাটো চলোৱা হয় প্ৰতি চাৰি মাইলৰ ব্যৱধানত মজুত ৰখা ৰাজকীয় ঘোঁৰাৰ সহায়ত। পদযাত্ৰাৰে চলোৱা ডাক ব্যৱস্থাত প্ৰতি মাইলত তিনিটাকৈ চকী আছে আৰু প্ৰতিটোকে ডাৱা অৰ্থাৎ মাইলৰ এক-তৃতীয়াংশ বোলে ... । এইদৰে প্ৰতি মাইলৰ এক তৃতীয়াংশত একোখনকৈ পূৰ্ণ জনবসতি থকা গাঁৱৰ অৱস্থান, প্ৰতিখনতে আছে একোটাকৈ জিৰণি ঘৰত কঁকালত টঙালি বান্ধি যাত্ৰাৰ বাবে সাঁজু হৈ থকা কেবাজনো পিয়ন। প্ৰতিজন পিয়নৰেই হাতত থাকে ছয় ফুট দৈৰ্ঘ্যৰ একোডাল লাঠি। লাঠিডালৰ একেবাৰে মূৰৰফালে আঁৰি থোৱা থাকে একোটাকৈ তামৰ টিলিঙা। ডাকোৱাল জনে নগৰৰপৰা যাত্ৰা কৰাৰ সময়ত এহাতেৰে চিঠি আৰু আনখন হাতেৰে টিলিঙা থকা লাঠিডাল লৈ যিমান বেগাই পাৰে সিমান বেগাই দৌৰিবলৈ ধৰে। যেতিয়া দ্বিতীয়টো চকীত থকা মানুহবিলাকে টিলিঙা বজা শুনিবলৈ পায় তেতিয়া তেওঁলোকো সাজু হৈ পৰে। ডাকোৱাল জনে তেওঁলোকৰ ওচৰ পোৱাৰ লগে লগে, তাত থকা মানুহবিলাকৰ এজনে তেওঁৰ পৰা চিঠিখন লৈ লাঠিডাল জোকাৰি জোকাৰি তাৰ পিছৰ চকীটো নোপোৱালৈ তীব্ৰ বেগত দৌৰিবলৈ ধৰে। আৰু চিঠিখন নিৰ্দিষ্ট ঠাই নোপোৱালৈ এই প্ৰক্ৰিয়াটো চলিয়েই থাকে। পদযাত্ৰাৰে পঠিওৱা ডাক ঘোঁৰাত পঠিওৱা ডাকতকৈ অধিক দ্ৰুত বেগী আছিল। পদযাত্ৰাৰে পঠিওৱা ডাক ব্যৱস্থাক সঘনে খোৰছানৰপৰা ভাৰতবৰ্ষলৈ ফল-মূল পঠিওৱা কাৰ্যত অধিক ব্যৱহাৰ কৰা হয়। কিয়নো ভাৰতবৰ্ষত মানুহে খোৰছানৰ ফল-মূল বেছিকৈ পছন্দ কৰে।

➲ সমগ্ৰ উপ-মহাদেশখনতেই পদযাত্ৰাৰে ডাক বিনিময় প্ৰথাটো প্ৰচলন কৰিব পৰা গ'লহেঁতেন বুলি তুমি ভাবানে?

**এক আচৰিত জাতি?**

১৪৪০ ৰ দশকটোত ৰচিত আব্দুৰ ৰেজ্জাকৰ ভ্ৰমণ কাহিনী এফালে উদ্বেগ আৰু আনফালে উপলব্ধিৰ এক আমোদজনক সমাহাৰ। এহাতেদি তেওঁ কেৰেলাৰ কালিকট বন্দৰত (বৰ্তমানৰ কোজিকোদ) যিবিলাক লোক দেখিছিল সেইবিলাকক বৰ ভাল বুলি গণ্য কৰা নাছিল। তেতিয়া কালিকট এনে কিছুমান মানুহৰ দ্বাৰা অধ্যুষিত আছিল "তেনে ধৰণৰ মানুহ মই পূৰ্বতে কেতিয়াও কল্পনা কৰা নাছিলোঁ।" এইবিলাকক তেওঁ "এটি আচৰিত জাতি" বুলি বৰ্ণনা কৰিছে।

পিছত তেওঁৰ ভাৰত ভ্ৰমণ কালত তেওঁ মাংগালোৰত উপস্থিত হৈছিল আৰু পশ্চিম ঘাট পৰ্বতমালা পাৰ হৈ। তাত তেওঁ এটি মন্দিৰ প্ৰত্যক্ষ কৰিছিল আৰু সেইটোৰে তেওঁক প্ৰশংসামুখৰ কৰি তুলিছিল ঃ

"মাংগালোৰৰপৰা তিনি লিগৰ ভিতৰত (প্ৰায় ন মাইল) মই বিগ্ৰহ থকা এটি গৃহ প্ৰত্যক্ষ কৰোঁ আৰু এই ধৰণৰ গৃহ পৃথিবীৰ ক'তোৱেই পাবলৈ নাই। এইটো বৰ্গক্ষেত্ৰাকাৰ আছিল, প্ৰায় প্ৰতিটো দিশৰ দৈৰ্ঘ্য ১০ গজমান হ'ব আৰু ৫ গজমান ওখ। প্ৰতিটো দিশেই ব্ৰোঞ্জ ধাতুৰ কাৰুকাৰ্যৰ দ্বাৰা অলংকৃত কৰা। লগতে ইয়াৰ চাৰিখন বাৰান্দা আছিল। প্ৰৱেশ পথত থকা বাৰান্দাখনত সাইলাখ মানুহৰ দৰে, পূৰ্ণ আকাৰৰ, এটি স্বৰ্ণ মূৰ্ত্তি আছিল। মূৰ্ত্তিটোৰ চকু দুটা ৰঙা ৰুবি মনিৰে নিৰ্মিত, ইমান কৌশলেৰে সঁজোৱা হৈছে যেন তুমি চালে ক'ব লাগিব যে মূৰ্ত্তিটোৱে দেখা পায়। 'কি যে নিপুণ কাৰুকাৰ্য!"

➲ **আলোচনা কৰা**

বাস্তৱ ক্ষেত্ৰত কিছুমান বস্তু নেদেখা নাইবা কিছুমান পৰিস্থিতিৰ সন্মুখীন নোহোৱা তথা অভিজ্ঞতাহীন লোকসকলক তেনে অদেখা বস্তু নাইবা পৰিস্থিতিৰ বিষয়ে অৱগত কৰাৰ দৰে (জটিল) সমস্যাটো ইবন বটুটাই কেনেদৰে চম্ভালি লৈছিল?

## ৬. বাৰ্ণিয়াৰ আৰু "অধঃপতিত" প্ৰাচ্য

ইবন্ বটুটাই প্ৰত্যক্ষ কৰা যিটো বস্তুৱেই তেওঁক প্ৰভাৱান্বিত কৰাৰ লগতে তেওঁৰ মনত কৌতুহলৰ উদ্ৰেক কৰিছিল সেইটোৱে বৰ্ণনা দিছিল যিহেতু বস্তুটো তেওঁৰ কাৰণে আছিল নতুন, কিন্তু ফ্ৰাঙ্কোৱা বাৰ্ণিয়াৰ আছিল অন্য এক বৌদ্ধিক পৰম্পৰাৰ অন্তৰ্ভুক্ত। তেওঁ ভাৰতবৰ্ষত যি প্ৰত্যক্ষ কৰিছিল সাধাৰণতঃ ইয়োৰূপত আৰু বিশেষতঃ ফ্ৰান্সত প্ৰত্যক্ষ কৰা তদানীন্তন পৰিবেশ পৰিস্থিতিৰ সৈতে সেইবিলাকৰ তুলনামূলক আলোচনা আৰু পাৰ্থক্য উনুকিয়াই দিয়াত জড়িত আছিল, আৰু তেনে কৰোঁতে তেওঁ হতাশাজনক পৰিস্থিতি ৰূপে বিবেচনা কৰা পৰিস্থিতিৰ প্ৰতি সততে দৃষ্টি নিক্ষেপ কৰিছিল। নীতি নিৰ্ধাৰক আৰু বুদ্ধিজীৱীসকলক প্ৰভাৱান্বিত কৰাটো তেওঁৰ লক্ষ্য আছিল যেন বোধহয় যাতে তেওঁলোকে তেওঁ "যথাৰ্থ " বুলি বিবেচনা কৰা ধৰণে কাম কৰিবলৈ সক্ষম হয়।

বাৰ্ণিয়াৰৰ **মোগল সাম্ৰাজ্যত ভ্ৰমণ** (*Travels in the Mughal Empire*) শীৰ্ষক গ্ৰন্থখন বিস্তৃত পৰ্যবেক্ষণ, বিশ্লেষণাত্মক সমালোচনা আৰু সুক্ষ্ম চিন্তাৰ পৰিচায়ক। তেওঁৰ ভ্ৰমণ কাহিনীত এনে কিছুমান আলোচনা বৰ্তমান যিবিলাকে মোগলসকলৰ ইতিহাসক বিশ্ব ইতিহাসৰ অংশৰূপে দাঙি ধৰাটো পৰিলক্ষিত হয়। তেওঁ সততে মোগল আমোলৰ ভাৰতবৰ্ষক সমসাময়িক ইয়োৰূপৰ সৈতে তুলনা কৰিছে আৰু সেইটো কৰোঁতে তেওঁ ইয়োৰূপৰ শ্ৰেষ্ঠত্বৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। তেওঁ ভাৰতবৰ্ষক দ্বৈত সত্ত্বাৰূপে প্ৰতিনিধিত্ব কৰাইছে য'ত ভাৰতবৰ্ষ ইয়োৰূপৰ বিপৰীত সত্ত্বাৰূপে প্ৰতিভাত হৈছে। লগতে তেওঁ নিজে অনুভৱ কৰা পাৰ্থক্যবিলাক ধৰ্মীয় ধাৰণাৰে তালিকাভুক্ত কৰিছে যাতে ভাৰতবৰ্ষ পাশ্চাত্যৰ তুলনাত নিম্নমানৰ বুলি প্ৰতীয়মান হয়।

### ৬.১ ভূমি স্বত্বৰ সমস্যা

বাৰ্ণিয়াৰৰ মতে মোগল আমোলৰ ভাৰতবৰ্ষ আৰু ইয়োৰূপৰ মাজত থকা অন্যতম প্ৰধান পাৰ্থক্যটো হ'ল ভাৰতবৰ্ষত ভূমিৰ ক্ষেত্ৰত ব্যক্তিগত মালিকানা স্বত্বৰ অনুপস্থিতি। তেওঁ ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ প্ৰতি বিশ্বাসী আছিল, ভাৰতবৰ্ষত ভূমি সম্পত্তি ৰাজকীয় অধিকাৰৰ অধীন হোৱাত তেওঁ তাক ৰাষ্ট্ৰ আৰু প্ৰজা সাধাৰণ উভয়ৰে বাবে ক্ষতিকাৰক বুলি পতিয়ন গৈছিল। তেওঁ ভাবিছিল যে মোগল সাম্ৰাজ্যত সম্ৰাটেই সকলো ধৰণৰ ভূমি সম্পত্তিৰ মালিক আছিল আৰু তেওঁ ডা-ডাঙৰীয়াসকলৰ মাজত সেই সম্পত্তি বিতৰণ কৰিছিল, ফলত এই ব্যৱস্থা সাম্ৰাজ্যৰ অৰ্থনীতি আৰু সমাজৰ বাবে ক্ষতিকাৰক হৈ পৰিছিল। এই ধৰণৰ চিন্তাধাৰা অকল যে বাৰ্ণিয়াৰৰেই আছিল তেনে নহয়, ষোড়শ আৰু সপ্তদশ শতিকাৰ প্ৰায়বোৰ ভ্ৰমণকাৰীৰ টোকাতেই সেই ধাৰণাৰ আভাস পোৱা যায়।

বাৰ্ণিয়াৰে যুক্তি দৰ্শাইছে যে ভূমিৰ ওপৰত ৰাজকীয় মালিকী স্বত্ব প্ৰচলিত থকাত ভূম্যাধিকাৰীয়ে ভূমি সম্পত্তি নিজৰ সন্তান-সন্ততিলৈ হস্তান্তৰ কৰিব পৰা নাছিল। সেয়ে তেওঁলোকে কৃষি ক্ষেত্ৰত শস্য উৎপাদন অক্ষুণ্ণ ৰাখিবলৈ আৰু তাৰ সম্প্ৰসাৰণৰ বাবে দীৰ্ঘম্যাদী বিনিয়োগ কৰিবলৈকে অনিচ্ছুক আছিল। সেয়ে

**দৰিদ্ৰতাৰ ব্যাপক বিস্তৃতি**

পেলজাৰ্ট নামৰ ওলান্দাজ পৰ্যটক এজনে সপ্তদশ শতিকাৰ আদি ভাগত ভাৰতীয় উপমহাদেশখন ভ্ৰমণ কৰিছিল। বাৰ্ণিয়াৰৰ দৰে তেৰোঁ দৰিদ্ৰতাৰ ব্যাপকতা দেখি স্তম্ভিত হৈছিল, "দৰিদ্ৰতা ইমান তীব্ৰ আৰু অসহনীয় আছিল যে মানুহৰ জীৱন ধাৰণাৰ চিত্ৰ বা কথা-কাহিনী খুব সঠিকভাৱে বৰ্ণনা কৰিব পাৰি কেৱল মাত্ৰ অভাৱেৰে পৰিপূৰ্ণ ঘৰ নতুবা দুখজনক অনাটনৰ আবাসস্থান" ৰূপে। তাৰ বাবে ৰাষ্ট্ৰক দোষী সাব্যস্ত কৰি তেওঁ কৈছিল, "কৃষকসকলৰপৰা ইমান কৰ-কাটল খাজনা আদায় কৰা হৈছিল যে ফলস্বৰূপে তেওঁলোকৰ হাতত পেট পুৰাবলৈ আনকি শুকান ৰুটিও নাথাকিছিল।"

ভূমিৰ ওপৰত ব্যক্তিগত মালিকানা স্বত্বৰ অনুপস্থিতিয়ে (পশ্চিম ইয়োৰূপত কৰাৰ দৰে) ভূমিৰ উৎকৰ্ষ সাধনৰ প্ৰতি উৎসুক এক শ্ৰেণী ক্ৰমবিকাশমান ভূম্যাধিকাৰীৰ বিকাশত অন্তৰায়ৰূপে দেখা দিছিল। এই ব্যৱস্থাই সকলোতে কৃষি ক্ষেত্ৰত অৱনতিৰ সৃষ্টি কৰাৰ লগতে কৃষকসকলৰ ওপৰত অতিৰিক্ত নিপীড়ন জাপি দিছিল আৰু এই প্ৰক্ৰিয়াই শাসকীয় সম্ভ্ৰান্ত শ্ৰেণীৰ লোকৰ বাহিৰে সমাজৰ সকলো শ্ৰেণীৰ লোকৰে জীৱন ধাৰণৰ মানদণ্ডৰ অৱনতি ঘটাইছিল।

উৎস ১১

## দৰিদ্ৰ কৃষক

গ্ৰাম্যাঞ্চত থকা কৃষক সম্পৰ্কে বাৰ্ণিয়াৰে দিয়া বৰ্ণনাৰ একাংশ ঃ

হিন্দুস্থান ৰূপে পৰিচিত বিশাল দেশখনৰ অনেক অংশ মাটিয়েই বালিময় নতুবা শুকান পাহাৰ, কৃষি কাৰ্য নিম্নমানৰ আৰু জনবসতি পাতল। আনকি শ্ৰমিকৰ অভাৱত ভাল কৃষি ভূমিৰো অধিকাংশই ছন পৰি থাকে, শ্ৰমিকসকলৰ বহুতেই স্থানীয় শাসনকৰ্তাসকলৰ দুৰ্ব্যৱহাৰৰ বাবে নিপাত যায়। সেই নিঃকিন লোকসকলে আক্ৰোহী ভূস্বামীসকলে দাবী কৰা মতে কৰ-কাটল খাজনা আদি আদায় দিব নোৱাৰিলে অকল তেওঁলোকৰ জীয়াই থকাৰ সম্বলৰ পৰাই যে বঞ্চিত কৰা হয় তেনে নহয় লগতে ল'ৰা-ছোৱালীকো হেৰুৱাবলৈ বাধ্য হয়। সেই ল'ৰা-ছোৱালী বিলাকক দাস হিচাপে লৈ যোৱা হয়। এইদৰে কৃষকসকলে, কঠোৰ স্বৈৰতান্ত্ৰিক শাসকে হতাশালৈ ঠেলি দিয়াত, সততে দেশান্তৰিত হৈ পৰে।

এই ক্ষেত্ৰত বাৰ্ণিয়াৰে সমসাময়িক ইয়োৰূপত সৃষ্টি হোৱা ৰাষ্ট্ৰ আৰু সমাজৰ প্ৰকৃতি সম্পৰ্কে সৃষ্টি হোৱা বিতৰ্কত ভাগ লোৱাৰ দৰে হৈছিল। তেওঁ এইটো আশা কৰিছিল যে মোগল আমোলৰ ভাৰতবৰ্ষ সম্পৰ্কে তেওঁ আগবঢ়োৱা আলোচনাই ভূমিৰ ব্যক্তিগত মালিকানা স্বত্বৰ সদ্‌গুণৰ প্ৰতি স্বীকৃতি নিদিয়া সকলৰ বাবে এক সঁকিয়নী হিচাপে কাম কৰিব।

➲ বাৰ্ণিয়াৰৰ মতে উপমহাদেশখনৰ কৃষকসকলে কি কি সমস্যাৰ সন্মুখীন হৈছিল? তেওঁৰ বৰ্ণনাই এইক্ষেত্ৰত তেওঁৰ দৃষ্টিভঙ্গী টনকিয়াল কৰাত সহায়ক হ'ব বুলি তুমি ভাবানে?

*নক্সা ৫.১১*
*উনৈশ শতিকাৰ এনে চিত্ৰাঙ্কনে এখন অপৰিৱৰ্তিত গ্ৰাম্য সমাজৰ ধাৰণাটোকে পুণৰ সবলিত কৰে।*



ইয়াৰ আন এক বিস্তৃতি স্বৰূপে বাৰ্ণিয়াৰে ভাৰতীয় সমাজখনক প্ৰভেদবিহীন এক সমষ্টিৰূপে গঠিত কাঙাল মানুহৰ সমাজৰূপে বৰ্ণনা কৰিছিল, যিখন সমাজক এটি ক্ষুদ্ৰ সংখ্যালঘু অথচ অতি চহকী আৰু শক্তিশালী শাসক শ্ৰেণীয়ে অৱনত কৰি ৰাখিছিল। এফালে দুখীয়াতকৈও দুখীয়া আৰু আনফালে ধনীতকৈও ধনীসকলৰ মাজত কোনো যথাৰ্থ সামাজিক গোট বা শ্ৰেণীৰ অস্তিত্ব নাছিল। বাৰ্ণিয়াৰে যথেষ্ট আত্মপ্ৰত্যয়েৰে সৈতে কৈছিল, "ভাৰতবৰ্ষত কোনো মধ্যম বৰ্গী লোক নাই।"

উৎস ১২

### ইয়োৰূপৰ প্ৰতি সতৰ্কবাণী

বাৰ্ণিয়াৰে সতৰ্ক কৰি দিছিল যে যদিহে ইয়োৰূপীয় ৰাজন্য বৰ্গই মোগল আৰ্হি অনুসৰণ কৰে ঃ

তেনেহলে তেওঁলোকৰ ৰাজ্যসমূহত কৃষি কাৰ্যৰ লগতে জনবসতিও ভালকৈ নহ'ব, ৰাজ্যসমূহ আমি এতিয়া দেখাৰ দৰে সুগঠিত হৈ নাথাকিব, ইমান চহকী ইমান সভ্য হৈ নাথকিব। অন্যথা আমাৰ ৰজাসকল চহকী আৰু শক্তিশালী। আমি ঠিৰাং কৰিব লাগে যাতে তেওঁলোকে এতিয়াতকৈ অধিক উন্নত আৰু ৰাজকীয় সেৱা লাভ কৰিব পাৰে। নহ'লে অতি সোনকালেই মই বৰ্ণনা কৰা (মোগলসকলৰ) দৰে তেওঁলোকো মৰুভূমি আৰু নিৰৱতাৰ, মগনীয়া আৰু বৰ্বৰৰ ৰজাত পৰিণত হ'ব।... অন্যথা আমি বৃহৎ নগৰ-চহৰৰ লগতে জনপ্ৰতিনিধি নিৰ্বাচিত কৰা বৃহৎ এলেকাবিলাক (বাৰো তথা Boroughবিলাক) দুষিত বায়ুৰে কলুষিত কৰি বাসৰ অনুপযোগী কৰি তুলিম আৰু সেইবিলাক ধ্বংস মুখত পৰিবলৈ এনেদৰে এৰি দিম যাতে কোনেও তাক পুনৰ ভাল কৰি ল'বলৈ যত্ন নকৰিব, পাহাৰবিলাক পৰিত্যক্ত হৈ পৰিব, আৰু কৃষি পথাৰবিলাক জোপোহা তৃণেৰে পৰিপূৰ্ণ হৈ পৰিব আৰু নতুবা মহামাৰী সৃষ্টি কৰিব পৰা পিতনিৰে ভৰি পৰিব, ইতিপূৰ্বে মই মোগল আমোলৰ ভাৰতবৰ্ষৰ বিষয়ে বৰ্ণনা কৰাৰ দৰে।

➲ বৰ্ণিয়াৰে কিদৰে এক সৰ্বনাশৰ দৃশ্য দাঙি ধৰিছে? পূৰ্বতে অষ্টম আৰু নৱম অধ্যায়ত তুমি এনে বৰ্ণনা পঢ়িছিলা। এতিয়া পুণৰবাৰ সেই বৰ্ণনালৈ উভতি চাই তাক আকৌ এবাৰ বিশ্লেষণ কৰি চোৱা।

এইদৰেই বাৰ্ণিয়াৰে মোগল সাম্ৰাজ্যৰ প্ৰতি তেওঁৰ নিজস্ব ধাৰণা পোষণ কৰিছিল, ইয়াৰ ৰজাজন আছিল "মগনীয়া আৰু বৰ্বৰসকলৰ" ৰজা; ইয়াৰ নগৰ-চহৰসমূহ "দুষিত বায়ুৰ" দ্বাৰা বিধ্বস্ত আৰু কলুষিত; ইয়াৰ পথাৰসমূহ "জোপোহা তৃণ" আৰু "মহামাৰী বিয়পবা পৰা পিতনি"ৰ দ্বাৰা ভৰপূৰ। এই সকলোবোৰ ঘটিছিল মাত্ৰ এটা কাৰকৰ বাবেঃ সেইটো আছিল ভূমিৰ ৰাজকীয় মালিকীস্বত্ব।

আচৰিত কথা যে মোগল যুগৰ কোনো এটা চৰকাৰী নথিয়েই ৰাষ্ট্ৰ যে ভূমিৰ একমাত্ৰ গৰাকী আছিল সেই কথাৰ ইংগিত বহন নকৰে। ষোড়শ শতিকাৰ চৰকাৰী বুৰঞ্জীকাৰ আবুল ফজলে ভূমি ৰাজস্বক "সাৰ্বভৌমত্বৰ মজুৰি" বা বেতন বুলি অভিহিত কৰিছিল, সেই মজুৰিৰ দাবীও শাসনকৰ্তা জনে তেওঁৰ প্ৰজাসাধাৰণৰ ওপৰত কৰিছিল এই বাবেই যে তেওঁ তেওঁলোকক নিৰাপত্তা প্ৰদান কৰিছিল আৰু তেওঁ ভূমিৰ ওপৰত তেওঁৰ মালিকীস্বত্ব থকা বাবেই সেই মজুৰিৰ দাবী কৰা নাছিল। আবুল ফজল আকবৰৰ ৰাজত্ব কালৰ বুৰঞ্জীকাৰ আছিল। যিহেতু ভূমি ৰাজস্ব সততে আছিল অধিক সেয়ে ইয়োৰূপীয় পৰ্যটকসকলে তাকেই খাজনা বুলি ধৰি লৈছিল। অৱশ্যে সেইটো খাজনা বা ভূমি ৰাজস্ব নাছিল, আছিল উৎপাদিত শস্যৰ ওপৰত এবিধ কৰ। (বিস্তৃত আলোচনাৰ বাবে অষ্টম অধ্যায় দ্ৰষ্টব্য)

বাৰ্ণিয়াৰৰ ভাৰত সম্পৰ্কীয় আলোচনাই অষ্টাদশ শতিকাৰপৰা তাৰ পৰৱৰ্তী কাললৈ পশ্চিমীয়া তাত্বিকসকলক প্ৰভাৱান্বিত কৰি আহিছিল। উদাহৰণ হিচাপে ফৰাছী দাৰ্শনিক মন্টেষ্কুই বাৰ্ণিয়াৰৰ ভ্ৰমণ কাহিনীৰ ওপৰত নিৰ্ভৰ কৰিয়েই পূৰ্বদেশীয় স্বৈৰতন্ত্ৰৰ তত্বৰ উদ্ভৱনা কৰিছিল। উক্ত তত্ব মতে এছিয়া মহাদেশৰ তথা প্ৰাচ্যৰ শাসনকৰ্তাসকলে তেওঁলোকৰ প্ৰজা সাধাৰণৰ ওপৰত অবাধ কৰ্তৃত্ব তথা ক্ষমতা প্ৰয়োগ কৰিছিল। তেওঁলোকে প্ৰজা সাধাৰণক পদানত আৰু দৰিদ্ৰতাত আৱদ্ধ কৰি ৰাখিছিল। তেওঁ এইবুলি যুক্তি প্ৰদৰ্শন কৰিছিল যে দেশৰ সমূদায় ভূমি সম্পত্তি ৰাজৰ অধীন আছিল আৰু ব্যক্তিগত সম্পত্তিৰ কোনো অস্তিত্ব নাছিল। এই তত্ব মতে ৰজা বা সম্ৰাট আৰু তেওঁৰ ডা-ডাঙৰীয়াসকলক বাদ দি বাকীবিলাকে কোনোমতেহে জীয়াই থাকিব পাৰিছিল।

পিছত এই তত্বটোকে ঊনবিংশ শতিকাত কাৰ্ল মাৰ্ক্সে এছিয়া মূলীয় উৎপাদন পদ্ধতিৰ তত্বৰূপে নতুন ৰূপত দাঙি ধৰিছিল। তেওঁ যুক্তি আছিল এইটো যে ঔপনিবেশিকতাবাদৰ আগমনৰ পূৰ্বে ভাৰতবৰ্ষত (লগতে এছিয়াৰ অন্যান্য দেশত) উৎপাদনৰ উদ্বৃত্ত অংশ ৰাষ্ট্ৰই আত্মস্যাৎ কৰিছিল। এই ব্যৱস্থাই এনে এখন ভাৰতীয় সমাজৰ বিকাশ হোৱাত সহায় কৰিছিল যিখন সমাজ আছিল অসংখ্যা স্বয়ং নিৰ্ভৰশীল আৰু (আভ্যন্তৰীণভাৱে) সাম্য ভাৱধাৰাৰ দ্বাৰা পৰিচালিত সামাজিক গোট। এই গ্ৰাম্য সামাজিক গোটসমূহৰ ওপৰত আধিপত্য আছিল কেন্দ্ৰীয় চৰকাৰৰ, যেতিয়ালৈ কেন্দ্ৰীয় চৰকাৰে পাব লগীয়া উৎপাদনৰ উদ্বৃত্ত খিনি কোনো হানি-বিঘিনী নোহোৱাকৈ পাই আছিল তেতিয়ালৈ সেই গ্ৰাম্য সামাজিক গোট সমূহৰ স্বতন্ত্ৰতা বৰ্তি আছিল। এইটো আছিল এক স্থবিৰ তথা পৰিবৰ্তনহীন পদ্ধতি।

আমি পিছত দেখিম (অষ্টম অধ্যায় দ্ৰষ্টব্য) যে এই ধৰণৰ গ্ৰাম্য সামাজিক গোটৰ ছবি দৰাচলতে সঁচা নাছিল। সঁচা কথা ক'বলৈ হ'লে ষোড়শ আৰু সপ্তদশ শতিকাত ভাৰতীয় গ্ৰাম্য সমাজখনত ভালেমান উল্লেখনীয় সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্তন সাধিত হৈছিল। সামাজিক চিত্ৰখনৰ এফালে আছিল

DailyAssam.Com



বৃহৎ জমিদাৰসকল, তেওঁলোকেই ভূমিৰ ওপৰত উৎকৃষ্ট স্বত্ব বা অধিকাৰ ভোগ কৰিছিল, আৰু আনফালে আছিল "অস্পৃশ্য" ভূমিহীন শ্ৰমিকসকল। উক্ত দুই শ্ৰেণীৰ মাজতেই আছিল চহকী কৃষকসকল, যিসকলে কৃষি ক্ষেত্ৰত ভাড়াতীয়া শ্ৰমিক নিয়োগ কৰাৰ লগতে পণ্য উৎপাদনতো তেনে শ্ৰমিকক খটুৱাব পাৰিছিল। আনহাতে ক্ষুদ্ৰ খেতিয়কসকলে মাত্ৰ নিজৰ ভৰণ-পোষণৰ বাবেহে কোনোমতে সামান্যতম শস্য উৎপাদন কৰিব পাৰিছিল।

### ৬.২ এক জটিল সামাজিক বাস্তৱতা

এইটো খাটাং যে বাৰ্ণিয়াৰে মোগল ৰাষ্ট্ৰক স্বৈৰতান্ত্ৰিক ৰাষ্ট্ৰৰূপে দাঙি ধৰাতেই ব্যস্ত আছে যদিও তেওঁৰ ভ্ৰমণ কাহিনীয়ে মাজে-সময়ে জটিল সামাজিক বাস্তৱতাৰ বিষয়েও ইংগিত কৰিছে। উদাহৰণ হিচাপে তেওঁ উপলব্ধি কৰিছিল যে কাৰিকৰসকলে পণ্য উৎপাদনৰ উন্নয়ন সাধন কৰিবলৈ কোনো ধৰণৰ অনুপ্ৰেৰণা লাভ নকৰে যিহেতু তেওঁলোকৰ সমূদায় লভ্যাংশ ৰাষ্ট্ৰই আত্মসাৎ কৰে। তাৰ পৰিণতি স্বৰূপে পণ্য উৎপাদন অৱনতিৰ পথত আছিল। একে সময়তে তেওঁ স্বীকাৰ কৰিছিল যে যিহেতু দেশত উৎপাদিত পণ্য সামগ্ৰী কেৱল সোণ আৰু ৰূপৰ বিনিময়তহে বিদেশলৈ ৰপ্তানি কৰা হৈছিল সেয়ে পৃথিবীৰ ভিতৰতে বহু পৰিমাণৰ মূল্যবান ধাতু ভাৰতবৰ্ষত প্ৰবেশ কৰিছিল। তদুপৰি তেওঁ লক্ষ্য কৰিছিল যে ভাৰতবৰ্ষত দূৰণীবটীয়া বেহা-বেপাৰত জড়িত এটি অতি চহকী বণিক শ্ৰেণীৰ অস্তিত্ব আছিল।

*উৎস ১৩*

#### এক পৃথক আৰ্থ-সামাজিক চিত্ৰ

কৃষি আৰু কাৰিকৰী উৎপাদন সম্পৰ্কে বাৰ্ণিয়াৰৰ বৰ্ণনাৰ উদ্ধৃতি দিয়া অংশ পঢ়া ঃ

এইটো গুৰুত্বপূৰ্ণ কথা যে এই বিশাল দেশখনৰ এক বৃহৎ অংশ সঁচাকৈয়েই অত্যন্ত সাৰুৱা। উদাহৰণ হিচাপে বৃহৎ ৰাজ্য বংগদেশে অকল ধান আৰু অন্যান্য শস্য আৰু জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তু উৎপাদনৰ ক্ষেত্ৰতেই নহয়, ইজিপ্তত উৎপাদিত নোহোৱা আন বহু বাণিজ্যিক সম্পদ যেনে পাট, কঁপাহ আৰু নীল আদিৰ উৎপাদনতো ইজিপ্তক চেৰ পেলাইছিল। প্ৰয়োজনতকৈও অধিক জনসংখ্যাৰ দেশ ভাৰতবৰ্ষৰ এনে বহু অঞ্চল আছে য'ত কৃষি কাৰ্যৰ লগতে কাৰিকৰসকলে, স্বাভাৱিক এলাহ সত্বেও, প্ৰয়োজনৰ তাগিদাতেই নিজকে কাৰ্পেট, ৰেশমী কাপোৰত বুটা তোলা, কাপোৰত ফুল তোলা, আদি কাৰ্যত জড়িত কৰিছিল। লগতে কাপোৰত সোণ-ৰূপৰ গুণাৰে ফুল তোলা আদি কাৰ্যৰ মাধ্যমত ভালেমান পাট আৰু কঁপাহী কাপোৰ পণ্য হিচাপে উৎপাদন কৰিছিল আৰু তাৰে কিছুমান দেশৰ ভিতৰত ব্যৱহাৰ কৰাৰ উপৰিও বিদেশলৈও ৰপ্তানি কৰা হৈছিল।

এইটো পাহৰিলে নচলিব যে বিশ্বৰ বিভিন্ন চুকে-কোনে প্ৰচলিত হৈ থকাৰ পিছত সোণ আৰু ৰূপ অৱশেষত হিন্দুস্থান আহি পাইছিল আৰু সেইবোৰ ইয়াতেই কিছু পৰিমাণে থাকি গৈছিল।

➲ এই উদ্ধৃতিৰ বৰ্ণনা আৰু উৎস ১১ৰ বৰ্ণনাৰ মাজত কি কি পাৰ্থক্য দেখা গৈছে?



*নক্সা ৫.১২*
*মোগল কাৰিকৰসকলৰ দক্ষতাৰ এক অপূৰ্ব নিদৰ্শন ঃ পান্না তথা মৰকত আৰু ৰুবী তথা পদ্মৰাগ মণিৰ কাৰুকাৰ্যখচিত এখন সোণৰ চামুচ।*

উৎস ১০

**সম্ৰাটৰ ঘৰুৱা কাৰখানা**

সম্ভৱতঃ বাৰ্ণিয়াৰেই হ'ল একমাত্ৰ ইতিহাসবিদ যিয়ে সম্ৰাটৰ ঘৰুৱা কাৰখানাৰ কাম-কাজ সম্পৰ্কে বিস্তৃত ভাৱে লিখি থৈ গৈছে ঃ

ভালেমান ঠাইতে কাৰিকৰে শ্ৰম কৰা আৰু কাৰখানাৰূপে পৰিচিত প্ৰকাণ্ড প্ৰকাণ্ড হলবিলাক দেখা যায়। এটা হলত দেখা যায় যে তত্বাৱধায়কৰ নেতৃত্বত কাৰিকৰসকলে কাপোৰত ফুল তোলা কামত ব্যস্ত আছে। অন্য এটাত ব্যস্ত আছে সোণাৰি বা স্বৰ্ণকাৰ, তৃতীয়টোত চিত্ৰকৰ, চতুৰ্থটোত লাৰ বোল সানি বাৰ্ণিছ কৰা লোক, পঞ্চমটোত বাঢ়ৈ বা কাঠ মিস্ত্ৰী, কুন্দা কৰ্তা, দৰ্জী আৰু মুচিয়াৰ, ষষ্ঠটোত পাট কাপোৰ প্ৰস্তুত কৰোঁতা, কাপোৰ আৰু ধুনীয়া মছলিনত ফুল তোলো কাৰিকৰ। কাৰিকৰসকল প্ৰতিদিন ৰাতিপুৱাই কাৰখানালৈ আহে আৰু গোটেই দিনটো তাতেই কামত ব্যস্ত থাকে, আৰু সন্ধিয়াহে নিজৰ ঘৰলৈ ওভতি যায়। এইদৰে শান্ত আৰু নিৰৱচ্ছিন্নভাৱে সিহঁতৰ সময় অতিবাহিত হয়, তেওঁলোকৰ কোনো এজনেও জন্ম পোৱা অৱস্থাৰপৰা নিজৰ জীৱন ধাৰণৰ মানদণ্ড উন্নয়ন কৰাৰ কল্পনাই কৰিব নোৱাৰে।

➲ বহুত কাম-কাজ হৈ থকা সত্ত্বেও বিশেষ উন্নতি ঘটা নাছিল— এই কথাষাৰ বাৰ্ণিয়াৰে কিদৰে প্ৰকাশ কৰিছিল?

দৰাচলতে সপ্তদশ শতিকাত ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ প্ৰায় ১৫ শতাংশ লোক নগৰত বাস কৰিছিল। গড় হিচাপে এই তথ্য সমসাময়িক পশ্চিম ইয়োৰূপীয় দেশৰ নগৰীয়া জনসংখ্যাতকৈ অধিক আছিল। এই অৱস্থা সত্ত্বেও বাৰ্ণিয়াৰে মোগল আমোলৰ নগৰ-চহৰসমূহক "কেম্প-নগৰ" বুলি বৰ্ণনা কৰিছিল। তাৰ দ্বাৰা তেওঁ এইটো বুজাবলৈ গৈছিল যে ভাৰতীয় নগৰসমূহৰ উৎপত্তি হৈছিল কোনো ঠাইত কেন্দ্ৰীয় চৰকাৰে অস্থায়ীভাৱে স্থাপন কৰা বাহৰক কেন্দ্ৰ কৰি আৰু তেনে নগৰৰ স্থায়িত্বও নিৰ্ভৰ কৰিছিল সেই বাহৰৰ স্থায়িত্বৰ ওপৰত। তেওঁ বিশ্বাস কৰিছিল যে সেই নগৰসমূহৰ উৎপত্তি হৈছিল যেতিয়া কেন্দ্ৰীয় চৰকাৰে তাত বাহৰ পাতিছিল, আৰু তাৰপৰা আঁতৰি যোৱাৰ লগে লগে তাৰ দ্ৰুত অৱনতি ঘটিছিল। তেওঁ তাৰ দ্বাৰা এইটো দেখুৱাবলৈ চেষ্টা কৰিছিল যে নগৰসমূহ প্ৰশস্ত সামাজিক আৰু অৰ্থনৈতিক ভেটিত প্ৰতিষ্ঠিত নাছিল, কেন্দ্ৰীয় চৰকাৰৰ বদান্যতা তথা পৃষ্ঠপোষকতাতহে বৰ্তি আছিল।

ভূমি স্বত্বৰ ক্ষেত্ৰত কৰাৰ দৰে বাৰ্ণিয়াৰে নগৰৰ ক্ষেত্ৰতো এক অতি সৰলীকৰণ চিত্ৰ দাঙি ধৰিছিল। ভাৰতবৰ্ষত তেতিয়া সকলো ধৰণৰ নগৰ-চহৰৰ অস্তিত্ব আছিল, যেনে— পণ্য উৎপাদনকাৰী নগৰ, বন্দৰ চহৰ, পবিত্ৰ বুলি মান্যতা প্ৰদান কৰা চহৰ, তীৰ্থযাত্ৰীক কেন্দ্ৰ কৰি গঢ়ি উঠা নগৰ-চহৰ, ইত্যাদি। এই নগৰ-চহৰবিলাকৰ অস্তিত্বই বণিক সম্প্ৰদায়সমূহৰ লগতে বৃত্তিমূলক শ্ৰেণীসমূহৰ উন্নত অৱস্থা আৰু প্ৰাচুৰ্যৰ কথাই সূচীত কৰে।

বণিকসকলৰ মাজত কুতুম্বিতা সম্পৰ্ক বৰ শক্তিশালী আছিল আৰু তাৰেই পৰিণতি স্বৰূপে তেওঁলোক সততে বৰ্ণ আৰু বৃত্তি কেন্দ্ৰীক সংগঠনত সংগঠিত হৈ পৰিছিল। পশ্চিম ভাৰতত উক্ত গোটবিলাকক *মহাজন* আৰু তাৰ প্ৰধানজনক *শেঠ* বোলা হৈছিল। আহমেদাবাদৰ দৰে নগৰীয়া কেন্দ্ৰসমূহত *নগৰশেঠ* ৰূপে পৰিচিত বণিক সম্প্ৰদায়ৰ প্ৰধানজনে মহাজনসকলক সামুহিকভাৱে প্ৰতিনিধিত্ব কৰিছিল। অন্যান্য বৃত্তিজীৱী নগৰীয়া গোটৰ ভিতৰত আছিল চিকিৎসক (হকিম বা বৈদ্য), শিক্ষক (পণ্ডিত আৰু মোল্লা), উকিল (ৱকিল), চিত্ৰকৰ, স্থপতিবিদ, গায়ন-বায়ন, হস্তাক্ষৰবিশাৰদ, ইত্যাদি ইত্যাদি। এই বৃত্তিজীৱী লোকসকলৰ কিছুমানে সম্ৰাটৰ পৃষ্ঠপোষকতাৰ ওপৰত নিৰ্ভৰ কৰিছিল, বহুতে আকৌ নিজৰ জীৱিকা অৰ্জন কৰিছিল অন্য পৃষ্ঠপোষকক সেৱা দান কৰাৰ জৰিয়তে, আন বহুতে, আনহাতে, জনবহুল নগৰ বা বজাৰত সাধাৰণ মানুহৰ প্ৰতি সেৱা দান কৰি বৰ্তি আছিল।

➲ আলোচনা কৰা...

বাৰ্ণিয়াৰৰ দৰে পণ্ডিতসকলে কি কাৰণবশতঃ ভাৰতক ইয়োৰূপৰ সৈতে তুলনা কৰাটো পছন্দ কৰিছিল বুলি তুমি ভাবা?

## ৭. মহিলা

### দাসী, সতী আৰু মহিলা শ্ৰমিক

পৰ্যটকসকলৰ যিসকলে লিখিত টোকা এৰি থৈ গৈছে তেওঁলোকৰ সাধাৰণতে উপমহাদেশখনত মহিলাৰ অৱস্থান সম্পৰ্কে বিশেষ ৰাপ আৰু কোনো কোনো ক্ষেত্ৰত চক্ৰান্ত আছিল। কোনো কোনো সময়ত তেওঁলোকে সামাজিক অন্যায় তথা বৈষম্যক "স্বাভাৱিক" অৱস্থাৰূপে ধৰি লৈছিল। উদাহৰণ হিচাপে দাসবিলাকক আন পণ্যৰ দৰে বজাৰত মুকলিভাৱে বিক্ৰি কৰা হৈছিল আৰু প্ৰায়েই উপহাৰ হিচাপেও ব্যৱহাৰ কৰা হৈছিল। ইব্ন বটুটাই ভাৰত ভ্ৰমণলৈ আহি সিন্ধু প্ৰদেশত উপনীত হোৱাত তেওঁ তাৰ বজাৰত মহম্মদ বিন্ টোঘলকক উপহাৰ দিবলৈ "ঘোঁৰা, উট আৰু দাস" ক্ৰয় কৰিছিল। তেওঁ মূলতান পোৱাত তাৰ গৱৰ্ণৰ জনক "এটি দাস আৰু ঘোঁৰাসহ কিচ্ মিচ্ আৰু বাদাম "উপহাৰ দিছিল। ইব্ন বটুটাই জনাইছে যে মহম্মদ বিন্ টোঘলক নাছিৰুদ্দিন নামৰ ধৰ্ম প্ৰচাৰক এজনৰ বাণী শুনি ইমান সুখী হৈছিল যে তেওঁ ধৰ্ম প্ৰচাৰক জনক "এক লাখ টকা (মুদ্ৰা) আৰু দুশটা দাস" উপহাৰ দিছিল।

ইব্ন বটুটাৰ বিৱৰণৰ পৰা জনা যায় যে দাস-দাসীসকলৰ মাজত যথেষ্ট পাৰ্থক্য আছিল। চুলতানৰ তলত কৰ্মৰত কিছুমান দাসী গীত-মাত আৰু নাচত পাকৈত আছিল, আৰু ইব্ন বটুটাই চুলতানৰ ভনীয়েকৰ বিয়াত তেনে দাসীৰ দ্বাৰা পৰিবেশিত বিভিন্ন কলা উপভোগ কৰিছিল। চুলতানে ডা-ডাঙৰীয়াসকলৰ গতিবিধিৰ ওপৰত নজৰ ৰাখিবলৈ মহিলা দাসীসকলক নিয়োগ কৰিছিল। ঘৰুৱা শ্ৰমিক হিচাপে দাসসকলক ব্যৱহাৰ কৰা হৈছিল, ইবন বটুটাই প্ৰত্যক্ষ কৰিছিল যে পাল্কীত (দোলা) মহিলা আৰু পুৰুষ সকলক ইফালে-সিফালে নিয়া কামত দাস ব্যৱহাৰ কৰা হৈছিল। ঘৰুৱা কামৰ বাবে ব্যৱহাৰ কৰা প্ৰয়োজনীয় দাসীৰ মূল্য বিশেষকৈ বহুত কম আছিল, সম্ভ্ৰান্ত প্ৰায়বিলাক পৰিয়ালেই ঘৰুৱা কামত সহায়ৰ বাবে পৰাপক্ষত অতি কমেও এগৰাকী বা দুগৰাকী দাসী ৰাখিছিল।

সমসাময়িক ইয়োৰূপীয় পৰ্যটক আৰু লিখকসকলে সঘনে মহিলাৰ প্ৰতি কৰা আচৰণ সম্পৰ্কে অতিৰঞ্জিত বিশ্লেষণ দাঙি ধৰিছিল। তেওঁলোকে সেইটো কৰিছিল প্ৰধানতঃ নাৰীৰ অৱস্থানক লৈ পছিমীয়া আৰু প্ৰাচ্যৰ সমাজ ব্যৱস্থাৰ মাজত বৈপৰীত্যৰ সীমাৰেখা তৈয়াৰ কৰাৰ প্ৰয়োজনত। আচৰিত নহয় যে সেই কাৰণেই বাৰ্ণিয়াৰে সতী প্ৰথাক বিস্তৃত আলোচনাৰ মাজলৈ আনিছিল। তেওঁ উল্লেখ কৰিছিল যে কিছুমান তিৰোতাই আনন্দমনে মৃত্যুক সাৱটি লৈছিল যেন বোধ হ'লেও আন কিছুমানক মৰিবলৈ বাধ্য কৰোৱা হৈছিল।

উৎস ১৫

**দাসী**

ইব্ন বটুটাই আমাক জনাইছে ঃ

সৰুৱেই হওক বা ডাঙৰেই হওক, প্ৰতিজন সম্ভ্ৰান্ত লোকৰ লগতে সাম্ৰাটে চোৰাংচোৱাগিৰি কৰিবলৈ তেওঁৰ দাসী একোগৰাকী নিয়োগ কৰিছিল। তেওঁ লগতে মহিলা বা চাফাই কৰ্মী নিয়োগ কৰিছিল। এই ধৰণৰ চাফাই কৰ্মীয়ে খবৰ নিদিয়াকৈ মানুহৰ ঘৰত প্ৰবেশ কৰিব পাৰিছিল। তেনে কৰ্মীক মহিলা দাসীসকলে সংগ্ৰহ কৰি থোৱা সকলো খা-খবৰ দিছিল।

অধিকাংশ মহিলা দাসীকে ৰহজানী কাৰ্য আৰু সামৰিক অভিযানৰ সময়ত ধৰি আনিছিল।

উৎস ১৬

**বালিকা সতী**

নিম্ন উল্লেখিত বৰ্ণনাটো বোধহয় বাৰ্ণিয়াৰৰ আটাইতকৈ অধিক নিকৰুণ বৰ্ণনা ঃ

লাহোৰত মই এগৰাকী অতি ধুনীয়া গাভৰু বিধৱাক সতী যোৱা দেখিছিলোঁ। মই ভাৱোঁ, তেওঁ খুব সম্ভৱ, বাৰ বছৰ বয়সৰ ওপৰ নহ'ব। বেচেৰী ক্ষুদ্ৰ প্ৰাণীটো ভয়ানক চিতাখনৰ ওচৰলৈ অহাৰ সময়ত প্ৰায় মৃত যেন বোধ হৈছিল, বেচেৰীৰ মনৰ দুখ-বেজাৰ বৰ্ণনা কৰিব নোৱাৰি। তেওঁ মাত্ৰ কঁপিছিল আৰু দুখজনকভাৱে উচুপিছিল। কিন্তু তিনি নে চাৰিজন ব্ৰাহ্মণে জোৰ কৰি সেই অনিচ্ছুক মহিলা গৰাকীক সাংঘাতিক ঠাইডোখৰলৈ লৈ গৈছিল। লগতে এগৰাকী বুঢ়ীয়ে বিধৱা গৰাকীক জোৰকৈ গৰা মাৰি ধৰি নিছিল। তেনেকৈ তালৈ নিয়াৰ পিছত তেওঁক চিতাৰ কাঠৰ ওপৰত বহুৱাই দি যাতে তাৰপৰা পলাই যাব নোৱাৰে সেইটো নিশ্চিত কৰিবলৈ হাতে-ভৰিয়ে বান্ধি পেলাইছিল। আৰু তেনে অৱস্থাতে সেই বেচেৰী নিৰ্দোষী মহিলা গৰাকীক জীৱন্তে পুৰি পেলোৱা হৈছিল। মই মোৰ অনুভূতি চেপি ৰাখিবলৈ কষ্ট পাইছিলোঁ আৰু নতুবা সিহঁতৰ উন্মত্ত উল্লাস আৰু প্ৰচুৰ হাহাকাৰ বন্ধ কৰিব পৰা নাছিলো।

**আলোচনা কৰা...**

**সাধাৰণভাৱে খাটি খোৱা তিৰোতা কৰ্মীসকলৰ জীৱন ধাৰণৰ পদ্ধতিয়ে ইবন্ বটুটা আৰু বাৰ্ণিয়াৰৰ দৰে পৰ্যটকসকলক কি কাৰণবশতঃ আকৃষ্ট কৰিব পৰা নাছিল বুলি তুমি ভাবা?**

সি যি কি নহওক, মহিলাৰ জীৱন সতীৰ বাহিৰেও অন্য দিশেৰেও পৰিচালিত হৈছিল। তেওঁলোকৰ শ্ৰম কৃষি উৎপাদন আৰু অনা-কৃষি কাৰ্য উভয় ক্ষেত্ৰতে গুৰুত্বপূৰ্ণ আছিল। বণিক পাৰিয়ালৰ মহিলাই বাণিজ্যিক কাম-কাজত অংশ লৈছিল, আনকি তেওঁলোকে কেতিয়াবা কেতিয়াবা বাণিজ্যিক বিবাদক আদাললৈ লৈ গৈছিল। এইটো সেই কাৰণেই শুদ্ধ নহয় যে মহিলাসকলক সততে তেওঁলোকৰ ঘৰুৱা পৰিবেশতে আবদ্ধ কৰি ৰখা হৈছিল।

*নক্সা ৫.১৩*
*পৰ্যটকসকলক খোদাই কৰা মথুৰাত প্ৰাপ্ত এখন ফলক।*

**ইয়াত কি কি ধৰণৰ যান-বাহন দেখুওৱা হৈছে?**



## সময়ৰেখা

## ভাৰতীয় উপমহাদেশ ভ্ৰমণ কৰি টোকা লিখি থৈ যোৱা কিছুমান পৰ্যটক

| | |
|---|---|
| **দশম- একাদশ শতিকা** | |
| ৯৭৩-১০৪৮ | মহম্মদ ইবন আহমেদ আবু ৰাইহান আল-বেৰুণী (উজবেকিস্তানৰপৰা) |
| **ত্ৰয়োদশ শতিকা** | |
| ১২৫৪-১৩২৩ | মাৰ্কো পলো (ইটালীৰ পৰা) |
| **চৰ্তুদশ শতিকা** | |
| ১৩০৪-৭৭ | ইব্‌ন বটুটা (মৰক্কোৰপৰা) |
| **পঞ্চদশ শতিকা** | |
| ১৪১৩-৮২ | আবদ আল-ৰাজ্জাক কমল আল-দিন ইব্‌ন ইছাক আল-ছমৰখণ্ডী (ছমৰখণ্ডৰপৰা) |
| ১৪৬৬-৭২ | আফানাছী নিকিতিক নিকিতিন (ৰুচ দেশৰপৰা) |
| **ষষ্ঠদশ শতিকা** | |
| ১৫১৮ | ডুৱাৰ্টে বাৰবোছা, মৃত্যু ১৫২১ (পৰ্তুগালৰপৰা) |
| ১৫৬২ | ছৈয়দী আলি ৰেইছ, মৃত্যু ১৫৬২ (তুৰস্কৰপৰা) |
| ১৫৩৬-১৬০০ | এন্টনিও মনছেৰাটে (স্পেইনৰপৰা) |
| **সপ্তদশ শতিকা** | |
| ১৬২৬-৩১ | মহম্মদ ৱালী বালখী (বল্‌খীৰপৰা) |
| ১৬০০-৬৭ | পিটাৰ মণ্ডী (ইংলেণ্ডৰপৰা) |
| ১৬০৫-৮৯ | জ্যা বেপ্‌টিষ্ট টেভাৰ্নিয়াৰ (ফ্ৰান্সৰপৰা) |
| ১৬২০-৮৮ | ফ্ৰাঁছোৱা বাৰ্ণিয়াৰ (ফ্ৰান্সৰপৰা) |

**টোকা ঃ** অন্য ধৰণৰ ইঙ্গিত নাইবা কাৰণ অবিহনে, ইয়াত উল্লেখিত চন-তাৰিখবোৰে পৰ্যটকসকলৰ জীৱনকাল সামৰি লৈছে।

DailyAssam.Com



## ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া

১. কিতাব-উল-হিন্দ সম্বন্ধে এটি টোকা লিখা।

২. ভাৰত ভ্ৰমণ সম্বন্ধে ইবন্ বটুটা আৰু বাৰ্ণিয়াৰে যিবোৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ টোকা প্ৰস্তুত কৰিছে, সেইবোৰৰ এক ৰিজনি আৰু বৈপৰীত্য বাছি উলিওৱা।

৩. বাৰ্ণিয়াৰে তেওঁৰ টোকাত নগৰ কেন্দ্ৰসমূহৰ যি চিত্ৰ দাঙি ধৰিছে সেই বিষয়ে আলোচনা কৰা।

৪. দাসত্ব সম্বন্ধে ইবন্ বটুটাই আগবঢ়োৱা বৰ্ণনাটো পুঙ্খানুপুঙ্খভাৱে বিশ্লেষণ কৰা।

৫. সতী প্ৰথাৰ কি মৌলিক বিষয়ে বাৰ্ণিয়াৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল?

## ২৫০ শব্দৰ ভিতৰত চমু ৰচনা লিখা

৬. বৰ্ণপ্ৰথা সম্বন্ধে আল্ বেৰুণীৰ দৃষ্টিভঙ্গী আলোচনা কৰা।

৭. সমসাময়িক নগৰকেন্দ্ৰসমূহৰ জীৱন ধাৰণ সম্বন্ধে এটা বুজাপৰাত উপনীত হ'বলৈ ইবন্ বটুটাৰ টোকাই কিবা সহায় কৰে বুলি তুমি ভাবানে? যুক্তি সহকাৰে উত্তৰ লিখা।

৮. সমসাময়িক গ্ৰাম্য সমাজৰ পুণৰ নিৰ্মাণত বাৰ্ণিয়াৰৰ টোকাই ঐতিহাসিকসকলক কিমানদূৰ সহায় কৰিছে বুলি তুমি ভাবা?

৯. বাৰ্ণিয়াৰৰ এই উদ্ধৃতিটো পঢ়া ঃ

> 'সামান্য হাতিয়াৰ বা সা-সঁজুলিত নথকা একেবাৰে নিঃকিন আৰু কোনো দক্ষ প্ৰশিক্ষকৰ তত্বাৱধান নোপোৱা লোকৰ দ্বাৰা প্ৰস্তুত অসংখ্য চালে চকু ৰোৱা শিল্প নৈপুণ্যৰ চানেকী সততে চকুত পৰে, কেতিয়াবা এনে লোকে ইউৰোপীয় কাৰিকৰে তৈয়াৰ কৰা সামগ্ৰীবোৰ এনেদৰে প্ৰস্তুত কৰে যে, আচল আৰু নকলৰ মাজত পাৰ্থক্য উলিয়াবই নোৱাৰি। ভাৰতীয়সকলৰ দ্বাৰা প্ৰস্তুত সামগ্ৰীৰ ভিতৰত হাত-হিলৈ আৰু চৰাই মৰা সৰু সৰু বন্দুকবোৰ অতি চমকপ্ৰদ। কেতিয়াবা তেওঁলোকে এনেধৰণৰ সোণৰ অলঙ্কাৰ প্ৰস্তুত কৰে যে, এনেধৰণৰ নিখুঁত কাৰুকাৰ্য ইয়োৰূপীয় সোণাৰীয়ে কৰিব পাৰিবনে নাই সন্দেহ হয়। তেওঁলোকৰ ৰঙীন চিত্ৰাঙ্কনসমূহৰ সৌন্দৰ্য, কোমলতা আৰু সূক্ষ্মতাৰ বিষয়েও মই প্ৰায়ে প্ৰশংসা কৰি আহিছো।

উদ্ধৃতিটোত উল্লেখিত হস্তনিৰ্মিত শিল্পসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। লগতে, এই অধ্যায়ত উল্লেখ কৰা কাৰিকৰী নৈপুণ্যৰ সৈতে ইয়াৰ তুলনা দাঙি ধৰা।

### মানচিত্ৰৰ কাম


১০. বহিঃৰেখাৰ দ্বাৰা এখন বিশ্ব-মানচিত্ৰ অঙ্কন কৰি ইবন্ বটুটাই ভ্ৰমণ কৰা দেশসমূহ চিহ্নিত কৰা। এই ভ্ৰমণ কালত তেওঁ অতিক্ৰম কৰাৰ সম্ভাৱনা থকা সাগৰসমূহ কি কি?

### যিকোনো এটা প্ৰকল্প প্ৰস্তুত কৰা

১১. তুমি থকা নগৰ বা গাঁৱৰ বাহিৰত ভ্ৰমণ কৰি অহা যিকোনো এজন জ্যেষ্ঠ আত্মীয় (যেনে— পিতৃ/মাতৃ/ককাদেউতা/খুৰা/খুৰী /মামা/মাহী আদিৰ এটা সাক্ষাৎ লৈ এইবোৰ তথ্য সংগ্ৰহ কৰা— (ক) তেওঁ কোন ঠাইলৈ গৈছিল (খ) কিহেৰে যাত্ৰা কৰিছিল (গ) যাত্ৰাত কিমান সময় লাগিছিল (ঘ) যাত্ৰাৰ উদ্দেশ্য (ঙ) কিবা অসুবিধাৰ সন্মুখীন হৈছিলনে? ভ্ৰমণ কৰি অহা ঠাইখনৰ সৈতে নিজৰ নগৰ/গাঁৱৰ বিশেষকৈ ভাষা, সাজ-পাৰ, খাদ্যাভ্যাস, ৰীতি-নীতি, বাট-পথ, ঘৰ-বাৰী আৰু পুৰুষ-মহিলাৰ জীৱন ধাৰণ পদ্ধতি আদিৰ সাদৃশ্য আৰু বৈসাদৃশ্য সম্বন্ধে তেওঁৰ অভিমতসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। এইদৰে তুমি সংগ্ৰহ কৰা তথ্যসমূহৰ ওপৰত ভিত্তি কৰি এটা টোকা লিখা।

১২. এই অধ্যায়ত উল্লেখিত যিকোনো এজন পৰ্যটকৰ জীৱন আৰু লেখনি সম্বন্ধে অধিক তথ্য সংগ্ৰহ কৰা। সমাজ সম্বন্ধে তেওঁৰ বৰ্ণনা বিশেষভাৱে উল্লেখ কৰি এই অধ্যায়ত সন্নিৱিষ্ট উদ্ধৃতিসমূহৰ সৈতে তেওঁৰ বিৱৰণীৰ এটা ৰিজনি দি পৰ্যটকজনৰ ভ্ৰমণৰ ওপৰত এটা ৰিপৰ্ট প্ৰস্তুত কৰা।

*নক্সা ৫.১৪*
*বিশ্ৰাম গ্ৰহণৰত পৰ্যটকসকলৰ এখন ৰঙীন চিত্ৰাঙ্কন।*



**অধিক জানিবলৈ বিচাৰিলে পঢ়া ঃ**

Muzaffar Alam and Sanjay Subrahmanyam. 2006. *Indo-Persian Travels in the Age of Discoveries, 1400-1800.* Cambridge University Press, Cambridge.

Catherine Asher and Cynthia Talbot. 2006. *India Before Europe.* Cambridge University Press, Cambridge.

François Bernier. nd. *Travels in the Mogul Empire AD 1656-1668.* Low Price Publications, New Delhi.

H.A.R. Gibb (ed.). 1993. *The Travels of Ibn Battuta.* Munshiram Manoharlal, Delhi.

Mushirul Hasan (ed.). 2005. *Westward Bound: Travels of Mirza Abu Talib.* Oxford University Press, New Delhi.

H.K. Kaul (ed.). 1997. *Travellers' India – an Anthology.* Oxford University Press, New Delhi.

Jean-Baptiste Tavernier. 1993. *Travels in India.* Munshiram Manoharlal, Delhi.

**অধিক তথ্যৰ বাবে সংযোগ কৰিব পাৰা ঃ**
www.edumaritime.org